সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ০৮ সংখ্যা,৯ ফাগুন, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 08 Date of Publication- 22 February 2026 Rs. 10.00/-

## কচুতলীত দশম অসম আৰক্ষী বাহিনীৰ অত্যাধুনিক মুখ্য কাৰ্যালয়ৰ শিলান্যাস গৃহমন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ সোণাপুৰৰ কচুতলীত শনিবাৰে এক ঐতিহাসিক ক্ষণৰ সাক্ষী হৈ ৰয় ডিমৰীয়াৰ ৰাইজ ।কচুতলীত উপস্থিত হৈ দশম অসম আৰক্ষী বাহিনীৰ নতুন মুখ্য কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহে ।১৭৪ বিঘা বিশাল ভূমি সামৰি স্থাপন হ'বলগীয়া এই নতুন মুখ্য কাৰ্যালয়টো নিৰ্মাণৰ বাবে চৰকাৰে ২৬০.৬৮ কোটি টকা ব্যয় নিৰ্ধাৰণ কৰিছে । এই চৌহদত আৰক্ষী বাহিনীৰ বাবে সকলো ধৰণৰ অত্যাধুনিক সা-সুবিধা উপলব্ধ হ'ব ।প্ৰকল্পটোৰ ভিতৰত থাকিব অত্যাধুনিক নিয়ন্ত্ৰণ কক্ষ আৰু ফায়াৰিং ৰেঞ্জ , বিশাল পেৰেড গ্ৰাউণ্ড আৰু প্ৰশিক্ষণ কেন্দ্ৰ, আৱাসিক এলেকা, বিদ্যালয় আৰু চিকিৎসালয়, নামঘৰ আৰু অন্যান্য ধৰ্মীয় তথা সাংস্কৃতিক স্থান । আধাৰশিলা স্থাপন কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়-প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হাতত দেশৰ ভূমি অনুপ্ৰৱেশকাৰীৰ পৰা মুক্ত কৰাৰ সাহস, দৃঢ়তা আৰু দৃঢ় সংকল্প আছে। অনুপ্ৰৱেশকাৰীৰ পৰা অসমক উদ্ধাৰ কৰিবলৈ প্ৰধানমন্ত্ৰীক ৰাজ্য চৰকাৰৰ সমৰ্থনৰ অতি প্ৰয়োজন। কিন্তু কংগ্ৰেছ ক্ষমতালৈ আহিলে এয়া কেতিয়াও সম্ভৱ নহ'ব। কংগ্ৰেছৰ বাবে অনুপ্ৰৱেশকাৰী ভোটবেংক। অসমত তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন হ'লে অহা ৫ বছৰৰ ভিতৰত অনুপ্ৰৱেশকাৰীক কেৱল ভোটাৰ তালিকাৰ পৰাই নহয়, দেশৰ পৰাও আঁতৰাই পেলোৱা হ'ব। গৃহমন্ত্ৰীগৰাকীয়ে নিৰ্বাচন আয়োগে আৰম্ভ কৰা এছআইআৰ প্ৰসংগ উত্থাপন কৰি কয়- এই প্ৰক্ৰিয়াই অনুপ্ৰৱেশকাৰী চিনাক্ত কৰাত সহায় কৰিব। কিন্তু আশ্চৰ্যজনকভাৱে কংগ্ৰেছে ইয়াৰ

(দহ পৃষ্ঠাত চাওক)

## সৰুসজাইত চিআৰপিএফ প্ৰতিষ্ঠা দিৱস অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (চি আৰ পি এফ)বাহিনীৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ পেৰেড অনুষ্ঠানত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে। অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে চি আৰ পি এফৰ বাৰ্ষিক পেৰেড অনুষ্ঠান দেশৰ বিভিন্ন প্ৰান্তত আয়োজন কৰাৰ বাবে ২০১৯ চনত কেন্দ্ৰীয় চৰকাৰে লোৱা সিদ্ধান্তৰ ভিত্তিতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ

( নপৃষ্ঠাত চাওক)

## কোনোবাই যদি আমাৰ ফালে ৰঙা চকুৰে চায়, আমি সেই চকু কাঢ়ি আনিমঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় গৃহ আৰু সমবায় দপ্তৰৰ মন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কামৰূপ মহানগৰ জিলাৰ সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়ৰ নতুন চৌহদ নিৰ্মাণৰ শিলান্যাস কৰে।এই অনুষ্ঠানতে অনুপ্ৰৱেশকাৰী আৰু ভূমি দখলকাৰীৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুনৰ বেদখলকাৰীক হুংকাৰ দিলে। আধাৰশিলা স্থাপন অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মন্তব্য- পূৰ্বৰ অসম এতিয়া সলনি হৈছে। আমি এতিয়া কাৰো লগত আপোচ নকৰোঁ।এইখন নতুন অসম, অটল, অবিচল আৰু আগ্ৰগামী অসম। কোনোবাই যদি আমাৰ ফালে ৰঙা চকুৰে চায়, আমি সেই চকু কাঢ়ি আনিম। আজিৰ নতুন অসমে কাৰো লগত আপোচ নকৰে। কেন্দ্ৰীয়

( দুই পৃষ্ঠাত চাওক)

## বিজেপিৰ প্ৰতিবাদত উত্তাল গুৱাহাটীৰ ৰাজীৱ ভৱন



ৰঙিলী বাৰ্ত্তাসেৱা-ৰাজীৱ ভৱনৰ সন্মুখত শনিবাৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় । দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় কৃত্ৰিম বুদ্ধিমত্তা -(এ আই) সন্মিলনত যুৱ কংগ্ৰেছে কৰা প্ৰতিবাদৰ পাৰ্শ্ব প্ৰতিক্ৰিয়া হিচাপে শনিবাৰে ৰাজীৱ ভৱনৰ সন্মুখত বিজেপিৰ যুৱ মৰ্চা আৰু অসম যুৱ পৰিষদে প্ৰতিবাদ সাব্যস্ত কৰে।প্ৰায় দুই শতাধিক বিজেপিৰ প্ৰতিবাদকাৰীসকলে বিজেপিৰ পতাকা, অসম গণ পৰিষদৰ পতাকাৰ লগতে ৰাহুল গান্ধীৰ বেনাৰ লৈ কংগ্ৰেছ মুৰ্দাবাদ শ্ল'গান দি ৰাহুল গান্ধী, গৌৰৱ গগৈৰ জুমুঠি দাহ কৰাৰ লগতে কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ চলোৱা বাহনত কলা ৰং সানি প্ৰতিবাদ সাব্যস্ত কৰে ।আৰক্ষীৰ বেৰিকেড ওফৰাই ৰাজীৱ ভৱনৰ ফালে অগ্ৰসৰ হোৱা বিজেপিৰ যুৱ মৰ্চা আৰু অসম যুৱ পৰিষদৰ প্ৰতিবাদকাৰীসকলক প্ৰত্যাহ্বান জনাবলৈ

( দুই পৃষ্ঠাত চাওক)

## নয়দাত উত্তৰ ভাৰতৰ প্ৰথমটো ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা-নয়ডাত স্থাপন হ'ব উত্তৰ ভাৰতৰ প্ৰথমটো ছেমিকণ্ডাক্টৰ অৰ্থাৎ অৰ্ধপৰিবাহী প্ৰকল্প । উত্তৰ প্ৰদেশৰ নয়ডাৰ গৌতম বুদ্ধ নগৰৰ যমুনা এক্সপ্ৰেছত শিল্পাঞ্চল সংলগ্ন ২৮ নম্বৰ ছেক্টৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেলী এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত উপস্থিত আছিল কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ। নয়ডাৰ এই প্ৰকল্পই উত্তৰ ভাৰতৰ উদ্যোগীকৰণত নতুন দিগন্তৰ

( দুই পৃষ্ঠাত চাওক)

# বিদ্যুৎ সংযোগ বিচ্ছিন্ন জুবিন ক্ষেত্ৰত

ৰঙিলী বাৰ্তাসেৱা- ঘণ্টাৰ পিচত ঘণ্টা ধৰি অন্ধকাৰত ডুব গ'ল হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰ। প্ৰাণৰ শিল্পীজনৰ অবৰ্তমানৰ মাত্ৰ ৫ মাহৰ পিচতেই আন্ধাৰত ডুবি থাকিল জুবিন ক্ষেত্ৰ। যান্ত্ৰিক বিজুতিৰ অজুহাতত শনিবাৰে সন্ধিয়া প্ৰায় তিনি ঘণ্টা ধৰি অন্ধকাৰছন্ন হৈ থাকিল জুবিন ক্ষেত্ৰ। বন্ধ হৈ পৰিল জুবিন ক্ষেত্ৰৰ সন্ধিয়াৰ অনুষ্ঠান। সেই সময়ত জুবিন ক্ষেত্ৰত উপস্থিত শ শ দৰ্শনাৰ্থী-অনুৰাগীৰ মাজত সৃষ্টি হয় হুৱাদুৱা। সৃষ্টি হয় অৱৰ্ণনীয় পৰিবেশৰ। কিয়নো প্ৰশাসনৰ অৱহেলা স্বৰূপ উদঙাই জুবিন ক্ষেত্ৰত থকা জেনেৰেটৰত নাই ডিজেল। বিকল জেনেৰেটৰৰ বেটাৰি। কেৱল সেয়ে নহয়, স্থানীয় ৰাইজে অভিযোগ কৰা অনুসৰি তিনিমাহে দৰমহা প্ৰদান নকৰাৰ বাবে জুবিন ক্ষেত্ৰৰ বিদ্যুৎ কৰ্মীও আঁতৰি গৈছে সেই স্থানৰ পৰা। ফলত ঘোৰ অন্ধকাৰৰ মাজত সময় অতিবাহিত কৰিবলগীয়া হয় জুবিন ক্ষেত্ৰলৈ অনুষ্ঠান পৰিৱেশনৰ বাবে অহা শিল্পী-কলা-কুশলী তথা দৰ্শনাৰ্থীৰ। স্থানীয় একাংশ ৰাইজৰ মতে জুবিন ক্ষেত্ৰত বিদ্যুৎ সংযোগৰ দায়িত্বত থকা বিদ্যুৎ কৰ্মীজনো কিছুদিন পূৰ্বে গুচি গৈছে। কাৰণটো হৈছে বিদ্যুৎ কৰ্মীজনে তিনিমাহ ধৰি লাভ কৰা নাছিল দৰমহা। ইপিনে প্ৰাণৰ শিল্পীৰ সমাধিক্ষেত্ৰৰ বিদ্যুৎ সংযোগ ব্যাহত হোৱা ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে সামাজিক মাধ্যমত স্পষ্টীকৰণ দিছে। তেওঁলোকৰ মতে খানাপাৰাৰ কইনাধৰাৰ জাবৰৰ দ'মত কোনো লোকে জুই জ্বলাই দিয়াৰ বাবে বিদ্যুতৰ তাঁৰ জ্বলি যায়। সেয়ে সঘনে সোণাপুৰ অঞ্চলৰ বিদ্যুৎ সন্ধিয়া ৫.২০ বজাৰ পৰা ৫.৫৮ বজালৈ ব্যাহত হয়। তেওঁলোকৰ মতে ৩৫ মিনিটৰ পিচত পুনৰ সংযোগ হয় বিদ্যুৎ। ইপিনে জুবিন ক্ষেত্ৰ অন্ধকাৰাছন্ন হৈ পৰাত সামাজিক মাধ্যমত আবেগিক পোষ্ট কৰে জুবিন পত্নী গৰিমা শইকীয়া গাৰ্গে। তেওঁ লিখে- ‘সোণাপুৰৰ জুবিন ক্ষেত্ৰত বিচ্ছিন্ন বিদ্যুৎ সংযোগ... আৰু কি বাকী আছেগৈ? কি ইমান অপকাৰ কৰিছে জুবিন গাৰ্গ নামৰ নিষ্পাপ মানুহজনে যে তেওঁক এনেদৰে অন্ধকাৰৰ গহ্বৰলৈ ঠেলি নি আছে।' উল্লেখযোগ্য যে যোৱা ১৯ ছেপ্টেম্বৰত জুবিন গাৰ্গৰ মহাপ্ৰয়াণে ৫ মাহ সম্পূৰ্ণ কৰিছে। কিন্তু আজিকোপতি জুবিন ক্ষেত্ৰৰ চৌহদৰ দেৱাল নিৰ্মাণ কৰা নহ'ল। দিনকদিনে পৰিত্যক্ত, ধূলিময় হৈ পৰিছে জুবিন ক্ষেত্ৰ।

# কোনোবাই যদি আমাৰ ফালে

গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত অনুষ্ঠিত এই আধাৰশিলা স্থাপন অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ৰাজ্যৰ সকলো বেদখল ভূমি বেদখলমুক্ত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। কচুতলীৰ ৭০৮ বিঘা মাটি কিছুদিন আগলৈকে অচিনাকি লোকৰ দখলত আছিল। ট্ৰাইবেল বেল্ট আৰু ব্লকৰ অধীনস্থ এই ভূমিৰ পৰা বেদখলকাৰীক উচ্ছেদ কৰি ৰাজ্য চৰকাৰে সকলো ভূমি মুক্ত কৰিলে। তেওঁ কয়- ৰাজ্য চৰকাৰে বিগত ৫ বছৰীয়া কাৰ্যকালত বেদখলৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি সমগ্ৰ ৰাজ্যৰ প্ৰায় ১.৫ লাখ বিঘা ভূমি বেদখলমুক্ত কৰিবলৈ সক্ষম হৈছে। ইয়াৰে ১.১০ লাখ বিঘা বন্যপ্ৰাণী অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যান আৰু সংৰক্ষিত বনাঞ্চলৰ ভূমি, ২৬.৭১৩ বিঘা সাধাৰণ চৰকাৰী বা খাচ মাটি, ৪, ৪৪৯ বিঘা অন্যান্য শ্ৰেণীৰ আৰু ৩, ৬৪৩ বিঘা ভিজিআৰ-পিজিআৰ ভূমি। ৰাজ্যৰ প্ৰায় ৪০ লাখ বিঘা ভূমি বেদখলৰ কবলত আছে। এই ভূমি বেদখলমুক্ত কৰাৰ বাবে গ্ৰহণ কৰা হ'ব ক্ষিপ্ৰতাৰে পদক্ষেপ। মুখ্যমন্ত্ৰীয়ে পুনৰ কয়- বৰ্তমানৰ চৰকাৰখনৰ কাৰ্যকালত গঁড় হত্যা সম্পূৰ্ণভাৱে ৰোধ কৰা হৈছে। এতিয়া কোনো চোৰাং চিকাৰীয়ে গঁড় হত্যা কৰিবৰ বাবে দহবাৰ চিন্তা কৰিব লাগিব। কিয়নো এনে যিকোনো দুষ্কাৰ্য ৰোধৰ বাবে চৰকাৰে কঠোৰৰ পৰা কঠোৰতম পদক্ষেপ লৈছে। উল্লেখ্য যে কামৰূপ জিলাৰ সোণাপুৰৰ কচুতলীত ১৭৪ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া দশম আৰক্ষী বেটেলিয়নৰ মুখ্য কাৰ্যালয়ৰ প্ৰকল্পৰ বাবদ ব্যয় হ'ব ২৬০ কোটি টকা। এই প্ৰকল্পৰ অধীনত প্ৰায় ৫০ বিঘা ভূমিত দশম অসম আৰক্ষী বাহিনীৰ প্ৰশিক্ষণ আৰু কৌশলগত কাৰ্যকলাপৰ সা-সুবিধাৰ বিকাশ ঘটোৱা হ'ব। ফায়াৰিং ৰেঞ্জ, শাৰীৰিক প্ৰশিক্ষণৰ বাবে ব্যায়াম এলেকা তথা নিৰীক্ষণ তথা পৰ্যবেক্ষণ ক্ষেত্ৰ এই ৫০ বিঘা ভূমিত গঢ়ি তোলা হ'ব। সেইদৰে ১২৪ বিঘা ভূমিত আৱাসিক সা-সুবিধা আৰু আন আন আন্তঃগাঁথনি নিৰ্মাণ উপলক্ষে লোৱা হৈছে, য'ত ৭৫০খন আসনযুক্ত পুৰুষৰ ছাউনী আৰু ৪৫০খন আসনযুক্ত মহিলা ছাউনীৰ উপৰি বিষয়া-জোৱানৰ আৱাস, ১০খন বিছনাযুক্ত চিকিৎসালয় এখনো নিৰ্মাণ কৰা হ'ব। চৌহদটোত ফুটবল ফিল্ড, ছিন্থেটিক এথলেটিক ট্ৰেক, দৰ্শকৰ বাবে গেলাৰী, পেৰেড গ্ৰাউণ্ড, দুখন টেনিছ ক'ৰ্ট আৰু তিনিখন ভলীবল ক'ৰ্ট আদিও নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে ভাষণত অসমৰ ১.৬০ লাখ যুৱক-যুৱতীক চাকৰিত নিযুক্তি প্ৰদানৰ উপৰি জাগীৰোডত ছেমিকণ্ডাক্টৰ উদ্যোগ, নামৰূপত এম'নিয়া-ইউৰিয়া প্ৰকল্প, নাৰেংগী-কুৰুৱা সংযোগী দলঙৰ কাম চলি থকাৰ কথা ব্যক্ত কৰি কয়- বৰ্তমান চৰকাৰৰ কাৰ্যকালত ৰাজ্যখনত অত্যাধুনিক পথৰ আন্তঃগাঁথনি নিৰ্মাণৰ দিশত লোৱা অভূতপূৰ্ব পদক্ষেপৰ ফলস্বৰূপে এতিয়া ৰাষ্ট্ৰীয় ঘাইপথত বিমান পৰ্যন্ত অৱতৰণ কৰিব পৰা হৈছে। তেওঁ লগতে উল্লেখ কৰে যে কচুতলীৰ বেদখলমুক্ত ভূমিৰ কাষেৰেই গুৱাহাটী ৰিং ৰোড নিৰ্মাণৰ কাম চলি আছে। ভাষণত মুখ্যমন্ত্ৰীয়ে কয়- আজি শিলান্যাস কাৰ্যসূচীৰ জৰিয়তে কচুতলীত বেদখলমুক্ত কৰা ৭০৮ বিঘা ভূমিৰ ভিতৰত ১৭৪ বিঘা ভূমিত দশম অসম আৰক্ষী বাহিনীৰ নতুন কাৰ্যালয় চৌহদ নিৰ্মাণ আৰম্ভ কৰিবলৈ লোৱা হৈছে। অৱশিষ্ট ভূমি জনসাধাৰণে বিচৰা ধৰণে সদ্ব্যৱহাৰ কৰা হ'ব যাতে সেই ভূমি পুনৰ বেদখলৰ কবলত নপৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ মাৰ্গদৰ্শনত অসমৰ পৰিৱেশ এতিয়া সলনি হৈছে বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে। এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী কেশৱ মহন্ত, পীযূষ হাজৰিকা, ৰূপেশ গোৱালা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক অতুল বৰাৰ উপৰি গৃহ মন্ত্ৰালয়ৰ সচিব গোবিন্দ মোহন, ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটা, চোৰাংচোৱা সংস্থাৰ সঞ্চালক তপন কুমাৰ ডেকা, আৰক্ষী সঞ্চালকপ্ৰধান হৰমিট সিঙকে ধৰি কেইবাগৰাকীও শীৰ্ষ প্ৰশাসনিক বিষয়া উপস্থিত থাকে।

# নয়দাত উত্তৰ ভাৰতৰ

সূচনা কৰিব বুলি আশা কৰা হৈছে। সমান্তৰালকৈ প্ৰকল্পটোৰ জৰিয়তে কেইবা হেজাৰ কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব। আধাৰশিলা স্থাপন অনুষ্ঠানত প্ৰায় দহ হেজাৰ লোকৰ সমাগম হয় বুলি প্ৰশাসনৰ সূত্ৰত প্ৰকাশ। এইচ চি এল গ্ৰুপ আৰু টাইৱানৰ ফ'কনৰ যৌথ কোম্পানী ইণ্ডিয়া চিপ্ প্ৰাইভেট লিমিটেডে স্থাপন কৰিবলগীয়া এই ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ নিৰ্মাণ ব্যয় ৩, ৭০০ কোটি টকা ধাৰ্য কৰা হৈছে। প্ৰকল্পটো ২০২৮ চনৰ ভিতৰত কাৰ্যক্ষম হৈ উঠিব বুলি কোম্পানী দুটাৰ যৌথ বিবৃতিত প্ৰকাশ কৰা হৈছে। এই প্ৰকল্পই প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৩, ৫০০ ৰো অধিক কৰ্মসংস্থাপনৰ সৃষ্টি কৰাৰ লগতে স্থানীয় যোগান শৃংখলা গঢ় দিব বুলি উল্লেখ কৰা হৈছে। প্ৰকল্পটোৰ জৰিয়তে মাহে ২০ হেজাৰ ৱেফাৰ প্ৰস্তুত কৰাৰ লক্ষ্য লোৱা হৈছে।

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী, নগাওঁ

# কথাৰ ফুলজাৰি বনাম বিবেক

দিপাৱলীৰ ফুলজাৰিৰ দৰে কথাৰ ফুলজাৰিৰ সময় তেনেই সমাগত। আমি সকলোৱে কাণৰ ময়লা ভালদৰে পৰিস্কাৰ কৰি সাজু হ'বৰ হ'ল যাতে কোনো কাৰণতে যেন এটাও শব্দ আমাৰ কাণত প্ৰৱেশ নকৰাকৈ সাৰি যাব নোৱাৰে। বিভিন্ন ৰঙৰ সমাহাৰেৰে পূৰ্ণ কথাৰ ফুলজাৰিবোৰ উপভোগ কৰাহে কথা। নানা ৰঙীন ফুলজাৰি ফিৰিঙতিয়ে ইতিমধ্যেই আমাক নিজৰ অধীনত লৈ আমাৰ মন মগজুৰ ওপৰত ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰিছেই। আমি সমাজৰ বিভিন্ন স্তৰত বাস কৰা লোক সকলে, উচ্চনীচ, ধনী-দুখীয়া, ডাঙৰ-সৰু নিৰ্বিশেষে দেখা সপোনবোৰ যেন কথাৰ ফুলজাৰিত নিমিষতে বাস্তৱায়িত হ'ব, তেনেধৰণৰ feelings এটা অনুভৱ হ'বলৈ আৰম্ভ কৰিলেই।

প্ৰজাগণৰ সদিচ্ছাৰ ওপৰতেই ৰজা-মহাৰজা সকলৰ দপদপনি নিৰ্ভৰ কৰে। প্ৰজাগণৰ বিভিন্ন স্তৰৰ দুখ-দুৰ্দশা, অসুবিধা সমূহ পাৰ্য্যমানে ত্ৰুটিহীন ভাবে সমাধানেই ৰজাঘৰীয়াৰ সাফল্য তথা ভৱিষ্যত।

পিছে কথাৰ ফুলজাৰিৰ ৰঙৰ সমাহাৰত দেখা সপোনবোৰ যেতিয়া ভাঙে, তেতিয়াই সাধাৰণ প্ৰজাগণৰ দুখ দুৰ্দশাই কুলাই-পাচিয়ে নধৰা হয়। চকুৰ লোটকেৰে বাট নেদেখা অৱস্থাত না জল -না স্থল অৱস্থাৰ সৃষ্টি হয়। নিমিষতে ৰং সলোৱাত সিদ্ধহস্ত দুমুখীয়া চৰিত্ৰৰ ৰঙীন ফুলজাৰিৰ ধাৰক সকলৰ কৰ্ম কাণ্ডই আমি সাধাৰণ প্ৰজাগণক এটা এনেকুৱা অৱস্থালৈ ঠেলি দিয়ে, য'ৰ পৰা না আগলৈ যাব পাৰো না পিছলৈ। Wall অত মূৰ মাৰি wall ভাঙি দিলেও কোনো ধৰণৰ সমিধান বিচাৰি পোৱাত আমিবোৰ অসমৰ্থ।

‘বিবেক’-এনেকুৱা এটা বস্তু, যাক লগত লৈ ফুৰিলেও বিপদ, আঁতৰাই ৰাখিলেও বিপদ, অন্ততঃ আজিৰ দিনত। পিছে সুশিক্ষাৰে শিক্ষিত আমিবোৰে ‘বিবেক’ক আঁতৰাই ৰখাতো প্ৰায় অসম্ভৱ। সীমাহীন কষ্ট অনুভৱ কৰোঁ, বিবেকবান আমিবোৰে নানা ৰঙৰ ফুলজাৰিৰ মেৰপেছত। কথাৰ ফুলজাৰিৰ ৰঙবোৰ আৰু অধিক গাঢ় হয় যেতিয়া নানা ৰঙৰ মহাত্মা গান্ধীৰ যুগলবন্দী দেখিবলৈ পাওঁ। নিজৰ নিজৰ ‘বিবেক’ জলাঞ্জলি দি উক্ত যুগলবন্দীত আমি যেতিয়া নিজকে উটি-ভাঁহি যাবলৈ allow কৰোঁ, নিজৰ লগতে ভৱিষ্যত প্ৰজন্মক এক নিৰ্ঘাট অন্ধকাৰ ভবিষ্যতৰ দিশে অগুৱাই নিয়াত যোগোৱা প্ৰভূত অবিহণাৰ বাদে আন একোৱেই নহয়, আমাৰ ‘বিবেক’ বোৰ যেন তুলাচালনীতহে, বৰ্তমান।

# বিজেপিৰ প্ৰতিবাদত

সাজু হৈ যুৱ কংগ্ৰেছ, এন এছ ইউ আইৰ কৰ্মীসকলৰ লগতে একাংশ কংগ্ৰেছ কৰ্মীয়েও যুদ্ধংদেহি ৰূপ লোৱাত পৰিৱেশ উত্তপ্ত হৈ পৰে। হতাহতি আৰু ঠেলা-ঠেলিও লাগে উভয় পক্ষৰ মাজত। আৰক্ষীৰ সৈতেও হতাহতি হয় প্ৰতিবাদকাৰীসকলৰ। আৰক্ষীয়ে বিজেপিৰ পক্ষ লৈ কংগ্ৰেছ, যুৱ কংগ্ৰেছ আৰু এন এছ ইউ আইৰ কৰ্মীসকলক মাৰধৰ কৰাৰ লগতে এন এছ ইউ আইৰ কৰ্মীৰ ম'বাইল ফোন কাঢ়ি লোৱা বুলিও প্ৰদেশ কংগ্ৰেছৰ ফালৰ পৰা উত্থাপন কৰা হৈছে অভিযোগ। ইফালে ‘গৰু চোৰ, মাটি চোৰক ৰাজীৱ ভৱনত সোমাবলৈ নিদিওঁ’ বুলি হুংকাৰ দি যুৱ কংগ্ৰেছ, এন এছ ইউ আই আৰু কংগ্ৰেছৰ কৰ্মীসকলেও হাতত কংগ্ৰেছৰ পতাকা লৈ বিজেপিৰ যুৱ মৰ্চা আৰু অসম যুৱ পৰিষদৰ শ শ প্ৰতিবাদকাৰীক প্ৰত্যাহ্বান জনাবলৈ অৱস্থান লয়। কংগ্ৰেছী প্ৰতিবাদকাৰীসকলে ‘বিজেপি মাটি চোৰ’, ‘গৰু চোৰ’ বুলি শ্ল'গান দি “প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী”, “গৃহমন্ত্ৰী অমিত শ্বাহ”, “মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ” প'ষ্টাৰ জ্বলাই প্ৰতিবাদ কৰে। কংগ্ৰেছ কৰ্মীৰ প্ৰতিবাদ বাধা দিবলৈ গৈ আৰক্ষীয়ে কংগ্ৰেছ কৰ্মীক চৰিয়াওৰ লগতে আক্ৰোশমূলকভাৱে বাধা প্ৰদান কৰাৰ অভিযোগ উত্থাপিত হৈছে। উভয় পক্ষক বাধা দিবলৈ যুদ্ধকালীন ক্ষিপ্ৰতাৰে তৎপৰ হৈ পৰে বিশাল আৰক্ষী-নিৰাপত্তা বাহিনী। আৰক্ষী-নিৰাপত্তাৰক্ষী সকলে যুৱ কংগ্ৰেছ, কংগ্ৰেছক এন এছ ইউ আইৰ কৰ্মীসকলক পিচলৈ ঠেলি পঠিয়ায়। বিজেপি যুৱ মৰ্চাৰ কেইজনমান কৰ্মীয়ে বেৰিকেডৰ ওপৰলৈ উঠি যোৱাত আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে বেৰিকেড ঠেলি ঠেলি জোকাৰি দি তেওঁলোকক পেলায়ো দিয়ে। প্ৰতিবাদকাৰীসকলক বাধা দিবলৈ যোৱা এগৰাকী মহিলা আৰক্ষীৰ হাতৰ পৰা তেজ ওলোৱাও পৰিলক্ষিত হয়। এনে অৱস্থাত বিয়লি অভাৱনীয় পৰিস্থিতিৰ উদ্ভৱ হয় ৰাজীৱ ভৱনৰ প্ৰাংগণত। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত তীব্ৰ যান-জটৰ সৃষ্টি হয় জি এছ ৰোডত। কংগ্ৰেছ কৰ্মীসকলে প্ৰতিবাদ সাব্যস্ত কৰি অভিযোগ কৰি কয় যে, “আৰক্ষীয়ে আক্ৰোশমূলকভাৱে পক্ষপাতিত্ব কৰি আমাক বাধা প্ৰদান কৰিছে। বিজেপি কৰ্মীসকলক বাধা নিদি আমাক বাধা দিছে। আমাৰ কৰ্মীসকলৰ ওপৰত লাঠি চাৰ্জ কৰিছে।”

# গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে কাছাৰ জিলাৰ কাটিগড়াৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাথানপুৰ গাঁৱত কেন্দ্ৰীয় চৰকাৰৰ ভাইব্ৰেণ্ট ভিলেজেছ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ৰ ৰাষ্ট্ৰীয় শুভাৰম্ভণী অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণত কয়- সনাতনী ভাৰতীয় লোকসকলে অনুপ্ৰৱেশকাৰীক ভূমি বিক্ৰী কৰিব নালাগিব। ইয়াৰ পৰিৱৰ্তে সনাতনী লোকসকলে সীমান্তৱৰ্তী গাঁওসমূহত নিগাজিকৈ থিতাপি ল'ব লাগিব।ইয়াৰ ফলত সীমান্তৰ সিপাৰৰ পৰা অসমলৈ অবৈধভাৱে প্ৰৱেশৰ সুযোগ ল'ব নোৱাৰিব প্ৰব্ৰজনকাৰীয়ে। মুখ্যমন্ত্ৰীয়ে সীমান্তৱৰ্তী গাঁওসমূহৰ পৰা হিন্দু ভাৰতীয় লোকসকলক আঁতৰি নাহিবলৈও আহ্বান জনায়। কিছুদিন পূৰ্বে হাইলাকান্দি আৰু শ্ৰীভূমিত বেদখলকাৰীক উচ্ছেদ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ৰাজ্যত ডেৰ লাখ বিঘা ভূমিত উচ্ছেদ চলোৱা হৈছে আৰু আগন্তুক সময়ত ৫ লাখ বিঘা ভূমি বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰা হ'ব। নাথানপুৰৰ দৰে গাঁৱলৈ দেশৰ গৃহমন্ত্ৰীগৰাকী আহি ইতিহাস ৰচনা কৰা বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আনহাতে, অহা ১৪ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিশেষ উপহাৰ লৈ বৰাক উপত্যকালৈ আহিব বুলি সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয়-গুৱাহাটী আৰু পাঁচগ্ৰামৰ মাজত ২২ হাজাৰ কোটি টকা ব্যয়ৰে অসমৰ প্ৰথমটো এক্সপ্ৰেছ হাইৱে' নিৰ্মাণৰ কাম প্ৰধানমন্ত্ৰীয়ে শুভাৰম্ভ কৰিব। ইয়াৰ ফলত বৰাক উপত্যকাৰ পৰা গুৱাহাটী পাবলৈ চাৰে চাৰি ঘণ্টা সময় লাগিব। ৰাইজে দাবী নকৰাকৈ এই (দহ পৃষ্ঠাত চাওক)

# কইনাধৰাত গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ ভূপেন বৰাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ অহা গৃহমন্ত্ৰী অমিত শ্বাহক শুক্ৰবাৰে কইনাধৰাস্থিত ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ভূপেন বৰাই সাক্ষাৎ কৰে। গৃহমন্ত্ৰীগৰাকীক কৰি সাক্ষাৎ এক দীঘলীয়া বাৰ্তালাপত মিলিত হয় ভূপেন বৰা। ভূপেন বৰাৰ আগন্তুক ৰাজনৈতিক কাৰ্যপন্থা কিদৰে আগবাঢ়িব সেই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ (দহ পৃষ্ঠাত চাওক)

# অনুপ্ৰৱেশকাৰীক সীমান্ত পাৰ হৈ ভাৰতত প্ৰৱেশ কৰিবলৈ দিয়া নহ'বঃ কেন্দ্ৰীয় গৃহমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত-বাংলাদেশ আন্তঃ ৰাষ্ট্ৰীয় সীমান্তৰ কাছাৰ জিলাৰ নাথানপুৰত ৬, ৮৩৯ কোটি টকাৰ ভাইব্ৰেণ্ট ভিলেজেছ-২ আঁচনিৰ উদ্বোধন কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। এই প্ৰকল্পই সীমান্ত অঞ্চলৰ পৰা প্ৰব্ৰজন বন্ধ কৰাত সহায় কৰিব আৰু অনুপ্ৰৱেশ ৰোধ কৰাত সহায় কৰিব বুলি দৃঢ়তাৰে কয় কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে। চুবুৰীয়া বাংলাদেশৰ পৰা হৈ অহা অনুপ্ৰৱেশৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতিক পূৰ্ণ সমৰ্থন জনাই সীমান্তত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ হুংকাৰ- সীমান্তৰ পৰা নহ'ব প্ৰব্ৰজন। কোনো কাৰণতেই অনুপ্ৰৱেশকাৰীক সীমান্ত পাৰ হৈ ভাৰতত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। বাংলাদেশৰ ৰাজনৈতিক অস্থিৰতাৰ সুযোগ লৈ বৰাক উপত্যকাৰ কৰিমগঞ্জ সীমান্ত অথবা ধুবুৰী সীমান্তৰে অসমত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰা বহু বাংলাদেশীক খেদি পঠিওৱাৰ পিছত এইবাৰ সীমান্তক লৈ কোনোধৰণৰ আপোচ কৰা নহ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে স্পষ্ট কৰাই নহয়, অনুপ্ৰৱেশকাৰীয়ে সীমান্ত পাৰ হৈ অসম অথবা ভাৰতত প্ৰৱেশ কৰিব নোৱাৰিব বুলিও স্পষ্ট ঘোষণা কৰিলে। এই অনুষ্ঠানতে প্ৰব্ৰজনকাৰীক এই হুংকাৰ দি গৃহমন্ত্ৰী অমিত শ্বাহে ইয়াকো স্পষ্ট কৰে যে গোপনে অসমত প্ৰৱেশ কৰা প্ৰতিজন অনুপ্ৰৱেশকাৰীক এটা এটাকৈ বিচাৰি উলিওৱা হ'ব আৰু বিতাড়ন কৰা হ'ব। বিজেপিয়ে অসমক অনুপ্ৰৱেশকাৰীৰ পৰা মুক্ত কৰাই নহয়, পুনৰ ক্ষমতালৈ আহিলে বিদেশীমুক্ত অসম কৰাই হ'ব বিজেপিৰ মূল লক্ষ্য। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ভাষণত কয়- কংগ্ৰেছে অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পৰা বিৰত থকাই নহয়, অনুপ্ৰৱেশকাৰীক ভোটবেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। অসম দীৰ্ঘদিন ধৰি প্ৰব্ৰজনৰ সমস্যাৰে জৰ্জৰিত হৈ আছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে সীমান্ত সুৰক্ষাৰ ক্ষেত্ৰত বিগত সময়ছোৱাত কোনো পদক্ষেপেই নল'লে। কিন্তু বৰ্তমান বিজেপি চৰকাৰে সীমান্ত সুৰক্ষিত কৰাই নহয়, অনুপ্ৰৱেশকাৰী ৰোধৰো ব্যৱস্থা গ্ৰহণ কৰিছে। অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি আইন অনুসৰি ব্যৱস্থা গ্ৰহণ তথা বিতাড়নৰো পদক্ষেপ ল'ব এই চৰকাৰে। উল্লেখ্য যে প্ৰায় লক্ষাধিক জনতাৰ উপস্থিতিত অনুষ্ঠিত ভাইব্ৰেণ্ট ভিলেজেছ কাৰ্যসূচী অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ভাষণত কয়- অসম দুটা সমস্যাৰে বিশেষভাৱে জৰ্জৰিত হৈ আছিল। এটা হ'ল অনুপ্ৰৱেশকাৰী আনটো বানপানী। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ চৰম অৱজ্ঞাৰ ফলত অনুপ্ৰৱেশকাৰীয়ে ক্ৰমাৎ অসমীয়াৰ পৰা অধিকাৰ কাঢ়ি লৈছিল। পূৰ্বৰ চৰকাৰে অনুপ্ৰৱেশকাৰীৰ বাবে সীমান্ত মুক্ত কৰি ৰাখিছিল। কিন্তু বিজেপি চৰকাৰে সীমান্তৱৰ্তী অঞ্চলৰ ৰাইজক ৰাষ্ট্ৰৰ মূলসুঁতিৰ সৈতে একত্ৰিত কৰি সীমান্ত সুৰক্ষা বাহিনীৰ সহযোগী ৰূপে গঢ়ি তোলাৰ পদক্ষেপ লৈছে। আনহাতে ৰাজ্যৰ বান সমস্যাৰ সমাধানৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে যৌথভাৱে কাম কৰিছে। অহা ৫ বছৰত অসম বানমুক্ত হ'ব। গৃহমন্ত্ৰীগৰাকীয়ে কয়- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ বৰাক উপত্যকা তথা সীমান্তৱৰ্তী জিলাসমূহৰ সকলো গাঁৱলৈ ভাৰতৰ অন্যান্য গাঁৱত উপলব্ধসমূহ প্ৰদানৰ প্ৰচেষ্টা হাতত লৈছে। সামগ্ৰিক উন্নয়নৰ লগতে (দহ পৃষ্ঠাত চাওক)

# পিষ্টল দেখুৱাই বৰপেটাৰোডত ভয়ংকৰ ডকাইতি কাণ্ড



ৰঙিলী বাৰ্ত্তাসেৱা- বৰপেটাৰোড চহৰত চাঞ্চল্যকৰ ডকাইতিৰ ঘটনা। দিন দুপৰতে পাঁচজনীয়া ডকাইতৰ দল এটাই চিনেমাৰ কায়দাৰে বৰপেটাৰোডৰ দুৰ্গাবাৰী পথত থকা গহনাৰ প্ৰতিষ্ঠান এটাত গ্ৰাহকৰ বেশত প্ৰৱেশ কৰি পিষ্টল দেখুৱাই মেনেজাৰ আৰু গহনা বিপণীখনৰ কৰ্মচাৰীক হাতত বান্ধি বৃহৎ পৰিমাণৰ সোণ, হীৰাৰ গহনাকে ধৰি নগদ ধন লুটি লৈ যায়। খবৰ অনুসৰি, শুক্ৰবাৰে দিনৰ প্ৰায় ১২.৪৫ বজাত ৫জনীয়া ডকাইতৰ দলটো দুখন বাইকেৰে আহি বৰপেটাৰোডৰ দুৰ্গাবাৰী পথত থকা সেনকো (নপৃষ্ঠাত চাওক)

# সৰুসজাইত চিআৰপিএফ

ভিতৰতে পোনপ্ৰথমবাৰৰ বাবে এইবাৰ অসমত এই অনুষ্ঠান গৌৰৱৰ বিষয়। দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত চি আৰ পি এফ বাহিনী মিছাইলতকৈও ডাঙৰ শক্তি আখ্যা দি কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে কয় যে এই বাহিনীটোৰ কৰ্তব্য আৰু ত্যাগ অবিহনে দেশৰ একতা, সুৰক্ষা আৰু সাৰ্বভৌমত্ব ৰক্ষা সম্ভৱ নহয়। জম্মু-কাশ্মীৰ, উত্তৰ-পূৰ্বাঞ্চল আৰু মাওবাদ অধ্যুষিত অঞ্চল এসময়ত বোমা, গুলী-বাৰুদ, বন্ধ, বিনাশৰ লীলাভূমি আছিল বুলি দোহাই কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে চি আৰ পি এফ বাহিনীৰ অৱদান সন্দৰ্ভত কয় যে দেশৰ সুৰক্ষা মজবুত কৰাৰ স্বাৰ্থতে এই বাহিনীৰ ২, ২৭০ গৰাকী জোৱানে আত্মবলিদান দিলে। তাৰে ৭০০ জোৱানে প্ৰাণ দিলে উত্তৰ-পূৰ্বাঞ্চলৰ শান্তি স্থাপনৰ কামত, ৭৯গৰাকী জোৱানে প্ৰাণ দিলে অসমত। জম্মু-কাশ্মীৰত প্ৰাণ দিলে ৫৪০গৰাকী জোৱানে আৰু নক্সাল দমনৰ ক্ষেত্ৰত ৭৮০গৰাকী জোৱানে আত্মবলিদান দিলে। কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে তেওঁৰ ভাষণত দৃঢ়তাৰে কয় যে যেতিয়াই দেশৰ কোনোবা প্ৰান্তত হিংসা বা অশান্তিৰ পৰিস্থিতি হয় আৰু তাত চি আৰ পি এফ বাহিনী নিয়োজিত কৰাৰ পিচত নিশ্চিন্তে টোপনি যাব পাৰি যে, দেশৰ দুষমন পৰাজিত হোৱাটো নিশ্চিত উল্লেখ্য যে মাওবাদ অধ্যুষিত দেশৰ ১২খন প্ৰদেশ অহা ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণৰূপে মাওবাদমুক্ত হ'ব বুলি ঘোষণা কৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে কয় যে এইক্ষেত্ৰত চি আৰ পি এফ বাহিনীৰ ভূমিকা অনস্বীকাৰ্য। প্ৰতিষ্ঠা দিৱসৰ এই অনুষ্ঠানৰ আৰম্ভণিতে কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীক 'গাৰ্ড অব অনাৰ' প্ৰদান কৰে চি আৰ পি এফৰ জোৱানসকলে। ইয়াৰ পিচতে চি আৰ পি এফৰ কেইবাটাও বেটেলিয়নৰ জোৱানৰ অভিবাদন গ্ৰহণ কৰে গৃহ মন্ত্ৰী অমিত শ্বাহে। আজিৰ এই অনুষ্ঠানত চি আৰ পি এফে বিভিন্ন জটিল পৰিস্থিতিৰ মোকাবিলা কৰা, অপহৃতক উদ্ধাৰ কৰা, সন্ত্ৰাসবাদীৰ মোকাবিলা কৰা আদি বিভিন্ন ৰণ-কৌশল তথা সমৰকলা প্ৰদৰ্শন কৰে। ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ এই আড়ম্বৰপূৰ্ণ অনুষ্ঠানত গৃহ মন্ত্ৰীগৰাকীয়ে ১৪ গৰাকী চি আৰ পি এফ জোৱানক সাহসিকতাৰ বাবে আৰক্ষীৰ পদক, ৫ গৰাকী জোৱানক বিশিষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদক আৰু ৫টা বেটেলিয়নক উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে পদক প্ৰদান কৰে।

# পৰৱৰ্তী চৰকাৰৰ প্ৰথম ৩ বছৰতে ৫৫ হাজাৰক নিযুক্তি দিয়া হ'ব শিক্ষা বিভাগতঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- পঞ্চদশ অসম বিধানসভাৰ চাৰিদিনীয়া লেখানুদান বাজেট অধিৱেশনৰ বৃহস্পতিবাৰে অন্তিম দিনা প্ৰশ্নোত্তৰ শিতানেৰে সদনৰ কাম-কাজ আৰম্ভ হয়। ইয়াৰ লগতে বিভিন্ন বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন সদনত দাখিল কৰা হয়। পাঁচবছৰীয়া কাৰ্যকালৰ সদনত দিয়া অন্তিমটো ভাষণত মুখ্যমন্ত্ৰীয়ে অসম চৰকাৰে বিগত দিনসমূহত কৰি অহা কামৰ কিছু খতিয়ান দাঙি ধৰাৰ লগতে আগন্তুক দিনৰ আভাস দাঙি ধৰে। দীঘলীয়া ভাষণত জীৱনৰ প্ৰথমটো নিৰ্বাচনত পৰাজয়বৰণ কৰাৰ কথা ৰোমন্থন কৰি মুখ্যমন্ত্ৰীয়ে নিজৰ অভিজ্ঞতাৰ কথা কয়। ভাৰতৰ বিকাশ যাত্ৰাত অসমে বিগত ৫ বছৰত বোজা হোৱাৰ পৰিৱৰ্তে অৰিহণা যোগাবলৈ সক্ষম হৈছে। যাৰ বাবে ষষ্ঠদশ বিত্তীয় আয়োগে অসমক প্ৰদান কৰা ডিভ'লুচন অনুদান ৩.২৫ শতাংশলৈ বৃদ্ধি কৰিছে। ইয়াৰ ফলত অহা বৰ্ষত অসমে কেন্দ্ৰীয় চৰকাৰৰ পৰা ডিভ'লুচন অনুদান হিচাপে ৫০ হাজাৰ কোটি টকা লাভ কৰিব। ৭০ বছৰৰ পিছত প্ৰথমবাৰৰ বাবে অসমে কৰৰ হস্তান্তৰৰ পুঁজিৰ জৰিয়তে ৰাজ্যৰ কৰ্মচাৰীসকলক দৰমহা আৰু পেন্সন ৰচ মাহে দিব পাৰিব। ইয়াৰ জৰিয়তে অসমে ২০২৬-২৭ বিত্তীয় বৰ্ষত গৌৰৱেৰে প্ৰৱেশ কৰিব পাৰিব। ৰাজ্যৰ টনকিয়াল বিত্তীয় অৱস্থাৰ কথা বিধানসভাৰ অন্তিমখন অধিৱেশনত এইদৰে প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সদনত ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ উত্তৰ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ দিশ দাঙি ধৰি কয়- মোৰ বিশ্বাস- অহা বিত্তীয় বৰ্ষত ৰাজ্যখনৰ নিজস্ব ৰাজহ সংগ্ৰহ প্ৰায় ৩০ হাজাৰ কোটি টকা অতিক্ৰম কৰিব। অসম চৰকাৰে প্ৰতিমাহত ( নপৃষ্ঠাত চাওক)

# ৫ মে'ৰ পৰা উচ্চতম ন্যায়ালয়ত হ'ব কা সন্দৰ্ভত চূড়ান্ত শুনানি



ৰঙিলী বাৰ্ত্তাসেৱা- দীৰ্ঘদিনৰ বিৰতিৰ অন্তত বহু বিতৰ্কিত নাগৰিকত্ব সংশোধনী আইন (কা) ২০১৯ৰ সাংবিধানিক বৈধতা চালিজাৰি চাবলৈ উচ্চতম ন্যায়ালয়ে চূড়ান্ত শুনানি গ্ৰহণ কৰিব। উচ্চতম ন্যায়ালয়ে ৫ মে', ২০২৬ৰ পৰা চূড়ান্ত শুনানি আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগচী আৰু ন্যায়াধীশ বিপুল এম পাঞ্চোলিৰ সংযুক্ত বিচাৰপীঠে দিছে এই নিৰ্দেশ। ৫ মে'ৰ পৰা ১২ মে'লৈ ধাৰাবাহিকভাৱে ইয়াৰ শুনানি গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য ( নপৃষ্ঠাত চাওক)

# মোলাই কাঠনিত পুনৰ অগ্নিসংযোগ

ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ অগ্নিসংযোগ মোলাই কাঠনিত। দুমাহত তৃতীয়বাৰলৈ লিলযোৰহাটৰ ককিলামুখৰ মাজুলী বন সংমণ্ডলৰ অধীনৰ মোলাই কাঠনিৰ ২.০ত পুনৰ দুৰ্বৃত্তই অগ্নিসংযোগ কৰিলে। বিগত বৰ্ষৰ চজ্জু ডিচেম্বৰত, এই বছৰৰ ৰচ ফেব্ৰুৱাৰীৰ পাছত বুধবাৰে পুনৰ জুইৰ লেলিহান শিখা দেখা গ'ল ব্ৰহ্মপুত্ৰৰ মাজত অৰণ্য মানৱ যাদৱ পায়েঙৰ মোলাই কাঠনিৰ কাষতে থকা এই বৃহৎ চাপৰিটোত। এই জুই ইমানেই ভয়াবহ আছিল যে বহু কিলোমিটাৰ দূৰলৈকে ইয়াৰ প্ৰভাৱ বিয়পি পৰিছিল ।আনকি এই জুইৰ ফিৰিঙতি পৰিছিল অৰণ্যখনৰ বহু কিলোমিটাৰ দূৰৈত থকা যাদৱ পায়েঙৰ ঘৰত। 'অৰণ্য মানৱ', 'পদ্মশ্ৰী' বঁটাপ্ৰাপক যাদৱ পায়েঙৰ জীৱনজোৰা পৰিশ্ৰমৰ ফলত গঢ়ি উঠা চিৰসেউজ অৰণ্য মোলাই কাঠনিৰ সমীপতে তেওঁৰ জীয়ৰীয়ে ১৩ হাজাৰ হেক্টৰ ভূমিত ২০২২ চনৰ পৰা মূল্যৱান গছ পুলি ৰোপণ কৰি অহা অৰণ্যখনত দুষ্কৃতিকাৰীয়ে কৰা অগ্নিসংযোগৰ ফলত এক বৃহৎ অংশ জুইত জাহ যায়। ( নপৃষ্ঠাত চাওক)

# দুৰ্গম অঞ্চলৰ বিদ্যালয়ত খালী শিক্ষকৰ পদঃশিক্ষামন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা-ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ চৰ অঞ্চল তথা দুৰ্গম অঞ্চলত থকা বিদ্যালয়সমূহৰ পৰা যাতে শিক্ষকসকল বদলি নহয় বা হ'ব নোৱাৰে তাৰ বাবে শিক্ষকৰ চাৰ্ভিচ ৰুল সংশোধনীৰ জৰিয়তে সলনি কৰিব বিচৰা হৈছে আৰু ইয়াক ৰাজ্য চৰকাৰে পৰ্যালোচনা কৰি আছে। ইয়াৰ জৰিয়তে দুৰ্গম অঞ্চলত বিদ্যালয়ভিত্তিত শিক্ষকৰ পদ সৃষ্টি কৰা। যাতে দুৰ্গম অঞ্চলত শিক্ষকৰ অভাৱ নহয়। দুৰ্গম অঞ্চলত যাতে শিক্ষকসকল বদলি হৈ যাব নোৱাৰে তাৰ ব্যৱস্থা কৰা। এই কথা প্ৰকাশ কৰিছে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। অসম বিধানসভাৰ বাজেট অধিৱেশনৰ অন্তিম দিনা প্ৰশ্নোত্তৰ কালত শিক্ষামন্ত্ৰী পেগুৱে সদৰী কৰে যে দুৰ্গম অঞ্চলত এই ব্যৱস্থাৰ জৰিয়তে স্থানীয় শিক্ষকক অৰ্হতাৰ ভিত্তিত নিযুক্তি দিয়াৰো ব্যৱস্থা কৰা হৈছে। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে যোগাযোগৰ অভাৱ, শিক্ষা দানৰ প্ৰতিকূল পৰিৱেশ আদিৰ কাৰণে দুৰ্গম অঞ্চলত নিযুক্তি পোৱা শিক্ষকসকলে বদলি হ'ব বিচাৰে। এনে অৱস্থাত দুৰ্গম অঞ্চলত শিক্ষক নথকা বিদ্যালয়সমূহ মেপিং কৰি চিহ্নিত কৰা হৈছে। এই অঞ্চলসমূহত বিশেষ শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে তাৰ বাবে ইতিমধ্যে পৰিকল্পনা কৰা হৈছে।



নিযুক্ত শিক্ষকসকল স্থানীয় ভিত্তিত হোৱাৰ লগতে তেওঁলোকক যোগ্যতাসম্পন্ন কৰি তোলাৰ ব্যৱস্থা কৰা হ'ব। নিযুক্তসকল যাতে দুৰ্গম অঞ্চলৰ পৰা বদলি নহয় তাৰ বাবে তেওঁলোকৰ পৰা এক আণ্ডাৰটেকিং লোৱা হ'ব। সদনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সদনত সদৰী কৰা তথ্য অনুসৰি, শিক্ষা বিভাগৰ অন্তৰ্গত প্ৰাথমিক শিক্ষা সঞ্চালকালয়, মাধ্যমিক শিক্ষা সঞ্চালকালয়, উচ্চশিক্ষা সঞ্চালকালয় আৰু কাৰিকৰী শিক্ষা সঞ্চালকালয়ত এতিয়াও সৰ্বমুঠ ৩২, ৫২০ টা শিক্ষক-কৰ্মচাৰীৰ পদ খালী হৈ আছে। মন্ত্ৰীগৰাকীয়ে সদৰী কৰা তথ্য অনুসৰি, শিক্ষা বিভাগৰ অন্তৰ্গত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ত মুঠ অনুমোদিত ৯৫, ৪৬৬ পদৰবিপৰীতে এতিয়াও খালী হৈ আছে মুঠ ১৩, ৭৫৪ টাকে পদ। একেদৰে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ৮৫, ৪০৫ টা অনুমোদিত পদৰ বিপৰীতে ১৬, ৩৫৬ টা পদ, উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত মুঠ মুঠ অনুমোদিত অনুমোদিত। ১৫, ৫৪৭ টা পদৰ বিপৰীতে ২, ০৫৭ ( নপৃষ্ঠাত চাওক)

# অহা ৭ দিনৰ ভিতৰত ঘোষণা কৰা হ'ব বিজেপিৰ প্ৰাৰ্থীৰ তালিকাঃমুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে অহা ৭-৮ দিনৰ ভিতৰত বিজেপিৰ প্ৰথমখন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰা হ'ব। এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। তেজপুৰত অনুষ্ঠিত এক কাৰ্যসূচীৰ অন্তত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, মই ভাবো যে আৰু ৭দিনৰ ভিতৰত প্ৰাৰ্থী ঘোষণা হৈ যাব।মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে যে দলৰ ভিতৰত প্ৰাৰ্থী নিৰ্বাচন প্ৰক্ৰিয়া প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। জয়ৰ সম্ভাৱনাক প্ৰাধান্য দি প্ৰাৰ্থী নিৰ্বাচন কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনা-অব্যাহত থকাৰ কথাও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে বিজেপি দলে আসন্ন বিধানসভা নিৰ্বাচন ব'হাগ বিহুৰ পূৰ্বেই অনুষ্ঠিত হোৱাটো বিচাৰিছে। এই সম্পৰ্কত নিৰ্বাচন আয়োগক দিয়া স্মাৰক-পত্ৰত এই বিষয়ে উল্লেখ কৰিছে। অসমত এইবাৰ বিধানসভা নিৰ্বাচন কেইটা পৰ্যায়ত অনুষ্ঠিত হ'ব এই সম্পৰ্কত নিৰ্বাচন আয়োগে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিজেপি দলৰ হোৱা আলোচনাত আয়োগে এই সম্পৰ্কত কোনো মতামত



গ্ৰহণ কৰা নাই। সেইদৰে গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইনক বিজেপিত ল'বলৈ অস্বীকাৰ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গৌৰৱ গগৈ, ৰকিবুল হুছেইন য'ত আছে, তাতে থাকক। ৰকিবুল হুছেইনক বিজেপিত ল'লে কাজিৰঙাৰ গঁড়কেইটাই বেয়া পাব বুলি তীব্ৰ কটাক্ষ কৰে। একেদৰে ২০৩১ চনত অখিল গগৈৰ ৰাইজৰ দলে প্ৰধান বিৰোধীৰ স্থান ল'ব পাৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ইয়াৰ বাবে অখিল গগৈ কিছু মেছিয়ৰ্ড হ'ব লাগিব। তেতিয়াহ'লে ২০৩১ চনত কংগ্ৰেছৰ মুছলমান ভোটাৰৰ সমৰ্থন অখিল গগৈৰ ৰাইজৰ দললৈ যোৱাৰ সম্ভাৱনা আছে। অনুৰূপ ধৰণে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে হিন্দু ধৰ্ম সন্দৰ্ভত মুখ্যমন্ত্ৰী ডং শৰ্মাক বিতৰ্কৰ বাবে প্ৰত্যাহ্বান জনোৱাৰ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গৌৰৱ গগৈৰ লগত তেওঁ কি বিতৰ্ক কৰিব? হিন্দুৰ ওপৰত গৌৰৱ গগৈয়ে কি বিতৰ্ক কৰিব? যাৰ সন্তানেই হিন্দু নহয়, তেওঁৰ প্ৰভাৱত পৰি যদি মোৰো ধৰ্ম সলনি হৈ যায়, তাৰ বাবে তেওঁৰ পৰা দূৰত থাকিব লাগিব। ধৰ্মৰ ওপৰত গৌৰৱ গগৈৰ লগত বিতৰ্ক কৰিলে হাঁহি উঠা কথা হ'ব। আনহাতে অসমীয়াৰ কৰ্মবিমুখতাৰ বিষয়ে ক'বলৈ গৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জয় আই অসম কোনো মন্ত্ৰ নহয় যে ৰাতিপুৱা মন্ত্ৰ মাতিলেই ভগৱানে আমাক সহায় কৰিব। অসম আন্দোলনৰ সময়ৰ পৰা অসমীয়াই ( দহ পৃষ্ঠাত চাওক)

# কুমাৰ মাটিয়েই ইতিহাস গঢ়ে

ধ্ৰুৱজ্যোতি, মাজুলী



আহোম যুগৰে পৰা মাজুলীৰ নৈপৰীয়া গাঁও শালমৰা এক দীঘলীয়া আৰু বৰ্ণিল ইতিহাসৰ বাহক। মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ পূব প্ৰান্তত অৱস্থিত এই গাঁওখন প্ৰকৃতি আৰু মানুহৰ নিৰন্তৰ সংঘাতৰ সাক্ষী। বছৰৰ প্ৰায় ছমাহ ব্ৰহ্মপুত্ৰৰ উগ্ৰ সোঁতৰ সৈতে যুঁজ দি জীৱন কটাই অহা এই গাঁওখনৰ ইতিহাস কেৱল কথাত সামৰি শেষ কৰিব নোৱাৰি। লোকপ্ৰবাদ অনুসৰি, শালমৰা গাঁও পূৰ্বতে দিহিং নদীৰ পাৰত অৱস্থিত আছিল আৰু সেই সময়ত ইয়াৰ নাম আছিল 'কৰ্শালমৰা'। 'কৰ্শালমৰা' শব্দটোৱে নাওঁৰ বিন্ধা-ফুটা মেৰামতিৰ বাবে ব্যৱহৃত শলাক বুজায়, যিয়ে এই জনগোষ্ঠীটোৰ প্ৰাচীন জীৱিকাৰ দিশৰ ইংগিত বহন কৰে। ৰজা শিৱসিংহৰ ৰাজত্বকালত ৰাণী ফুলেশ্বৰী কুঁৱৰীয়ে এই লোকসকলক কুমাৰ পাইকত নিযুক্ত কৰিবলৈ মাজুলীলৈ আনি বসতি স্থাপন কৰায়। তেতিয়াৰ পৰাই এই জনগোষ্ঠী 'কুমাৰ' নামেৰে পৰিচিত হয় আৰু তেওঁলোকক বসবাস কৰিবলৈ দিয়া অঞ্চলটো 'কুমাৰ চাপৰি' নামে জনাজাত হয়। পৰৱৰ্তী সময়ত মাটিৰ সুবিধা আৰু জীৱিকাৰ প্ৰয়োজনত তেওঁলোক ব্ৰহ্মপুত্ৰৰ পাৰলৈ স্থানান্তৰিত হয়।

ইতিহাস সমৃদ্ধ হ'লেও শালমৰা আজিও উন্নয়নৰ মূলধাৰাৰ বাহিৰত। অঞ্চলটোত এখনো চিকিৎসালয় নাই; বাৰিষা প্ৰায় ছমাহ বিদ্যালয় বন্ধ থাকে, ফলত শিক্ষা ব্যৱস্থা স্থবিৰ হৈ পৰে। এই সময়ছোৱাত বেপাৰ-বাণিজ্য আৰু সাধাৰণ জীৱনধাৰণ একেলগে ব্যাহত হয়। নীতি-নিৰ্ধাৰকৰ কাগজত উন্নয়নৰ পৰিকল্পনা থাকিলেও শালমৰাৰ বাস্তৱতাত তাৰ স্পষ্ট প্ৰতিফলন দেখা নাযায়। তথাপিও কঠোৰ পৰিশ্ৰম আৰু সহিষ্ণুতাৰে শালমৰাবাসীয়ে নিজৰ অস্তিত্ব জীয়াই ৰাখিছে।

শালমৰা বাসীৰ পৰম্পৰাগত বৃত্তি আছিল নাওঁ নিৰ্মাণ আৰু মৃৎশিল্প। বৰ্তমান সময়ত মৃৎশিল্পই এই জনগোষ্ঠীৰ প্ৰধান জীৱিকা। এই শিল্পৰ বাবে ব্যৱহৃত বিশেষ মাটিক 'কুমাৰ মাটি' বুলি কোৱা হয়, যি সাধাৰণতে বোঁৱতী সুঁতিৰ কাষৰ পৰা মাঘ ফাগুন মাহত খনন কৰি সংগ্ৰহ কৰা হয়। খনন কাৰ্য আৰম্ভ কৰাৰ আগতে মাটিৰ গুণাগুণ পৰীক্ষা কৰা হয়। বাঁহৰ হুলেৰে মাটি খুচি চাই মৃৎশিল্পৰ বাবে উপযোগী মাটি নিশ্চিত কৰাৰ পাছতেই খনন আৰম্ভ হয়। প্ৰথমতে ওপৰৰ বালিৰ স্তৰ আঁতৰোৱা হয়। এই প্ৰক্ৰিয়াক 'পথাৰ বনোৱা' বুলি কোৱা হয়। ওপৰৰ পানী ভিতৰলৈ সোমাব নোৱাৰে বাবেই ওপৰত 'ড্ৰেইন'ৰ ব্যৱস্থা কৰা হয়। ইয়াৰ পাছত ঘূৰণীয়াকৈ মাটি খান্দি ভিতৰলৈ সোমোৱা হয়। স্থানীয় ভাষাত এই প্ৰক্ৰিয়াক 'দোপ দিয়া' বা 'কুৱা খন্দা' বুলি কোৱা হয। প্ৰায় ৬-৭ ফুট দলে গৈ এজন মানুহ থাকিব পৰাকৈ ঠাই তৈয়াৰ কৰা হয়, যাক 'পোষ্ট' দিয়া' বুলি জনা যায়। এই পৰ্যায় অতিক্ৰম কৰাৰ পাছত প্ৰায় ৭-৮ মিটাৰ তলত গৈ কুমাৰ মাটি পোৱা যায়। মাটি ওলোৱা স্তৰ প্ৰায় ৫ ফুট দলে বিস্তৃত। এই সময়ত এজন লোকে মাটি কাটে এজনে ওপৰলৈ দলিয়ায় আৰু ওপৰত থকা আনজন ব্যক্তিয়ে সেই মাটি বাহিৰলৈ উলিয়াই দিয়ে। এই সমগ্ৰ প্ৰক্ৰিয়াক স্থানীয় ভাষাত 'খনি দিয়া' বুলি কোৱা হয়।

আগলৈ...

# এচাম সুবিধাবাদী



শৈলেন কুমাৰ, মিৰ্জা

সিহঁতে বতাহৰ মাজত ধোঁৱা হৈ
সুযোগৰ সন্ধান বিচাৰি ফুৰে,
দুখত দুখী হোৱাৰ অভিনয় কৰে,
বিপদৰ সময়ত প্ৰকৃত চৰিত্ৰ উদঙাই দিয়ে ।
জ্বলা জুইত ঘিউ ঢালে পানী কিন্তু নহয়,
সেয়া সহায় বুলি কৈ জহাই ফুৰে,
পাছত ভস্মীভূত হোৱা ছাইখিনিও বিক্ৰী কৰে ।
"ভাই বন্ধু" বুলি কৈ ফুচুলাই
আপোনাৰ ধৈৰ্য্যক সিহঁতে বিনামূলীয়াকৈ পান কৰে
প্ৰতিটো উপকাৰক সিহঁতে কৰ্তব্যৰ নাম দিয়ে,
"নাই" বুলি ক'লে আপুনি বিশ্বাসঘাতক হৈ পৰে ।
সফলতাত আপোনাৰ নামটোৰ সোৱাদ দ্ৰুত হয়
একে মুখ, একে ভোক,
সুবিধাবাদী সকলৰ সেয়া আপোনাক বিফল কৰাৰ ৰোষ ।
আপোনাৰ ধুমুহাত তেওঁলোক পৰামৰ্শদাতা হয়,
বিচাৰে ছাতি, বিচাৰে নাও
কিন্তু অভিপ্ৰায় সিহঁতৰ আপোনাৰ
শেষৰ শুকান চাৰ্টটো কাঢ়ি লৈ যোৱা ।
সফলতাৰ দুৱাৰদলি, নিশব্দে সিহঁতে মাৰে হাত চাপৰি
পিছফালে চালে ঘুৰি এখন তলা লগোৱা বন্ধ দুৱাৰৰ কোঠালী ।
শান্ত মনোমোহা সুৰ
দানৱবোৰৰ দুখন মুখ, নিষ্ঠুৰ এখন হৃদয়,
পিঠিত কৰে ছুৰীৰে আঘাত,
কাতৰে মাতিলে নিদিয়ে সিহঁতে মাত ।
নিজক ৰক্ষা কৰিবলৈ মিছাৰ আশ্ৰয় লয়,
সত্য উন্মোচিত হ'লে
ভুক্তভোগীৰ মাস্ক পিন্ধি স্থিতিত বিভ্ৰান্ত হয় ।
সিহঁতবোৰ স্বাৰ্থপৰ, নিৰুদ্দেশ হোৱাত বিশেষজ্ঞ
সুবিধাৰ চেম্পিয়ন, গল্পত সিহঁত নায়ক,
আপোনাৰ বিপদত সিহঁতবোৰ হৈ পৰে
একোএকোজন খলনায়ক ।

# বিবাহ ঃ জীৱনৰ অনুপম উৎসৱ



প্ৰভাত বণিয়া

উদুলি মুদুলি বিয়াৰ ৰভাতলি। এক আনন্দমুখৰ পৰিৱেশ। বেণ্ডপাৰ্টিয়ে বজাইছে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সুমধুৰ গীতৰ সুৰ আৰু দুই এটা হিন্দী চিনেমাৰ গান। বিয়া খাবলৈ আহিছে নিমন্ত্ৰিত ভদ্ৰলোক, ভদ্ৰ মহিলা, ল'ৰা-ছোৱালী, আই মাতৃ সকলো। দৰাৰ মাক, ভায়েক, ভনীয়েক বৰ ব্যস্ত। ভালকৈ মাত এষাৰ দিবলৈ যেন তেওঁলোকৰ সময় নাই। "অ' আহিছে, ভাল লাগিল। বাইদেউ নাহিল হবলা।" বছ, ইমানে। বিয়া ঘৰ ডেকা ল'ৰা, গাভৰু ছোৱালীৰে খদমদম। গাভৰু বিলাকে সাজি কাঁচি দীপ্ লিপ্ হৈ আহিছে। বিয়া ঘৰ নহয় যেনিবা সৌন্দৰ্য প্ৰতিযোগীতাহে। বিয়া গীতক অসমীয়া বিবাহৰ অন্যতম বৈশিষ্ট্য বুলি কোৱা হয়। দৰাক ৰামচন্দ্ৰ, কইনাক সীতা আৰু মাকক দৈৱকীৰ লগত তুলনা কৰি নামতি সকলে অসংখ্য বিয়া গীত গাই বিয়া ঘৰ মুখৰিত কৰি তোলাৰ দৃশ্য বৰ অপূৰ্ব। অসমীয়া লোক সংস্কৃতিৰ আপুৰুগীয়া সম্পদ বিয়া গীত আজিকালি বিয়া ঘৰত কি গাওঁ কি চহৰ কাচিৎহে শুনিবলৈ পোৱা যায়।


নিমন্ত্ৰিত অতিথি সকল আহিয়ে আছে। গৃহস্থৰ দ্বাৰা চাহ, জলপান আৰু সুস্বাদু খাদ্যৰে আপ্যায়িত কৰা হৈছে অভ্যাগত সকলক। অপূৰ্ব খাদ্য সম্ভাৰৰ তালিকাত আছে ভাত, মাছ, খাহি ছাগলীৰ মাংস, লোকেল মুৰ্গী, বইলাৰ কুকুৰাৰ মাংস, দৈ, পনিৰ, মিঠাই, ৰসগোল্লা আদি। অভ্যাগত সকল সুন্দৰ ভাৱে আপ্যায়িত হোৱাৰ পিছত দৰাক উপহাৰ প্ৰদান কৰি চামে চামে বিয়া ঘৰ এৰিছে। বিয়া খাবলৈ অহা আলহিৰ বাইক, মটৰ চাইকেল, বিলাসী চাৰিচকীয়া বাহনেৰে বিয়া ঘৰৰ আলি পদূলি কাহ খাই পৰিছে। এয়া এখন বৰ উৎসৱ মুখৰ বহু চৰ্চিত আজিকালিৰ তথাকথিত বিয়াৰ চিত্ৰ।

আগৰ দিনৰ বিয়া আৰু বৰ্তমানৰ বিয়াৰ আয়োজন আৰু অভ্যৰ্থনাৰ মাজত আকাশ পাতাল পাৰ্থক্য দেখা যায়। তাহানিৰ বিয়া ঘৰৰ ৰাভা, সন্মুখৰ গেটৰ লগতে বিয়াৰ অন্যান্য সামগ্ৰী সমূহৰ ব্যৱহাৰ অতি সাধাৰণ, মাৰ্জিত ৰুচি সম্পন্ন আছিল। বিয়া এখনৰ যাবতীয় খৰচৰ ক্ষেত্ৰত সেই সময়তকৈ আজিৰ দিনৰ বিয়া এখনৰ খৰচ অত্যাধিক। সময়ৰ লগে লগে মানুহৰ ৰুচি অভিৰুচিৰো পৰিবৰ্তন ঘটিছে।

ৰাভা, পেণ্ডেল, গেট, চকী, মেজ, দিচ, কাপ্ প্লেট, পানীৰ বটল, তামোল, পান, চিৰা, দৈ, মিঠাই আদি নানা খাদ্য সামগ্ৰী, কাপোৰ, দৰা-কইনাৰ সাজ সজ্জাৰ বাবে পাট মুগাৰ কাপোৰ, সোণৰ আঙুঠি, বিভিন্ন ডিজাইনৰ সোণৰ আ অলংকাৰ, প্ৰসাধন তথা

*(বাৰপৃষ্ঠাত চাওক)*

# অমিল মিলত দৰ্শন




**দ্বিজেন্দ্ৰ নাথ দাস**

বিজ্ঞান আৰু ধৰ্মৰ সীমা ৰেখাৰ মাজৰ স্থান য'ত বিজ্ঞান আৰু ধৰ্ম দুয়োৰে প্ৰৱেশ নিষেধ এই স্থানেই হ'ল দৰ্শন।

প্ৰাচীন ভাৰতত সমান্তৰাল ভাৱে আৰু সমসাময়িক ভাৱে 'ন' বিধ ভিন্ন দৰ্শন। এই দৰ্শন সমূহৰ ভিতৰত- লোকায়ত, বৌদ্ধ আৰু জৈন- এই তিনিবিধ দৰ্শনে বেদৰ কৰ্তৃত্ব মানি লোৱা নাই আৰু বাকী - পূৰ্ব মীমাংসা বেদান্ত, সাংখ্য, যোগ, ন্যায় আৰু বৈশেষিকা-এই ছয় বিধ দৰ্শনে বেদৰ কৰ্তৃত্ব মানি লৈছে।

লোকায়ত দৰ্শন নিৰীশ্বৰ বাদী আৰু তেওঁলোকে আত্মাৰ অস্তিত্বক বিশ্বাস নকৰে। লোকায়ত সকলৰ মতে মানুহৰ চেতনাও নিৰ্জীৱ বস্তুজগতৰ আন্তঃক্ৰিয়াৰ মাজেৰে সৃষ্টি হয়। ৰামায়ণত উল্লেখ থকা ঋষি জাবলি এগৰাকী লোকায়ত দৰ্শনৰ প্ৰবক্তা আছিল।

বৌদ্ধ দৰ্শনে কৈছে যে- ঈশ্বৰক বিচাৰি তপস্যা কৰাটো সময়ৰ অপচয়। আৰু সকলো ধৰ্মই এই সংসাৰত জন্ম লোৱাটো পাপ বুলি কলেও বৌদ্ধ দৰ্শনে সংসাৰ খনকহে দুখময় বুলি কৈছে, জন্ম লোৱাটো পাপ বুলি-কোৱা নাই।

জৈন দৰ্শনে ঈশ্বৰৰ অস্তিত্বক প্ৰশ্ন কৰিছে আৰু কৈছে যে বিশ্বজগত খন সদায় আছে, ইয়াক কোনেও সৃষ্টি কৰা নাই।

পূৰ্ব মীমাংসা বা মীমাংসা দৰ্শনে কৰ্মফল বা "পৃথিৱীত যেতিয়া পাপৰ ভৰ বেছি হয় তেতিয়া ঈশ্বৰে পৃথিৱী ধ্বংস কৰি পুনৰ নতুনকে সৃষ্টি কৰে"-এনে ধৰণৰ কথা বিলাক অস্বীকাৰ কৰিছে। আৰু মীমাংসা দৰ্শনে বেদান্ত দৰ্শনৰ "মায়াবাদ"ক মানি লোৱা নাই।

বেদান্ত দৰ্শন হ'ল একমাত্ৰ 'আধ্যাত্মিকতাবাদ'ৰ প্ৰবক্তা। বেদান্ত দৰ্শনে কয় যে- এই পৃথিৱীখন মায়া। বাস্তৱ নহয়। আৰু কয়- গভীৰ চিন্তা আৰু তপস্যাৰ জৰিয়তে আমি পৰম সত্য জানিব পাৰোঁ।

সাংখ্য দৰ্শনে ঈশ্বৰৰ অস্তিত্বক নসাৎ কৰি কৈছে যে-প্ৰকৃতিখন সদায়ে আছে আৰু প্ৰকৃতিৰ বিভিন্ন বস্তুৰ নিজা নিজা ধৰ্ম আছে, সেই বোৰৰ বাবে ঈশ্বৰৰ প্ৰয়োজন নাই। *(আঠপৃষ্ঠাত চাওক)*

# অনুভূতি

**দৰিনা পায়ুন, মাজুলী**



চহৰৰ ৰাস্তাবোৰ সদায় ভিৰেৰে ভৰা। মানুহ, গাড়ী, শব্দ, - সকলো মিলি যেন মনালিছাৰ মূৰত দিনে-ৰাতি একেই কথা ঘূৰি থাকে।

মনালিছা এজনী কলেজীয়া ছাত্ৰী। Career, future - এই শব্দবোৰেই এতিয়া তাইৰ জীৱনৰ মূল শব্দ। সকলোৱে কয়, "Top কৰিব লাগিব।" ইটে-সিটো হ'ব লাগিব।" "Time waste নকৰিবা।" কিন্তু কোনেওঁ কেতিয়াও সোধা নাই -"তই সুখী নে?" দিনে দিনে তাইৰ মনটো বোজা হৈ গৈছিল। মোবাইল খুলিলেই আনৰ success, আনৰ marks, আনৰ life। নিজৰ জীৱনটো যেন তুলনাত হেৰাই গৈছিল। ৰাতি চকুত টোপনি নাহে, দিনত মন পঢ়াত নালাগে। এনেকুৱা লাগে যে সকলো সমাপ্ত কৰি বহুত দূৰলৈ গুছি যাও।

এদিন হঠাৎ তাই এটা কাম কৰিলে -Social media off। College বন্ধ। আৰু কেইদিনমানৰ বাবে তাইৰ মামাকৰ ঘৰলৈ। সেই ঠাইত নাছিল network। নাছিল competition। Chill মাথোঁ - আকাশ, সেউজীয়া গছ, ঠাণ্ডা বতাহ আৰু পাহাৰ। প্ৰথম দিন তাই আমনি লাগিছিল । মোবাইল নাথাকিলে যেন কিবা হেৰাই গৈছে। কিন্তু দ্বিতীয় দিন তাই বুজি পালে - আচলতে তাই নিজেই নিজক হেৰাই পেলাইছিল।

পাহাৰৰ ওপৰত বহি সূৰ্যাস্ত চোৱা সময়ত তাই ভাবিলে - "মই কিয় পঢ়িছোঁ? কেৱল আনক সুখী কৰিবলৈ নে নিজৰ সপোন পূৰণ কৰিবলৈ?" মাজে মাজে তাই ভাবিছিল পঢ়া শুনা কৰা তো জৰুৰী নেকি? ইমান সুখৰ জিৱন ইয়াত! সেই দিনটোত তাই প্ৰথমবাৰৰ বাবে নিজৰ সৈতে কথা পাতিলে। কোনো pressure নাছিল। কেৱল নিজৰ মনৰ মাত। চহৰলৈ ঘূৰি আহিলেও সকলো আগৰ দৰে আছিল। Exam আছিল। Stress আছিল।

কিন্তু মনটো এতিয়া বেলেগ। এইবাৰ তাই পঢ়ে ভয়ত নহয়, পঢ়ে নিজৰ লক্ষ্যৰ বাবে। কাৰণ তাই বুজি গৈছিল - Success মানে কেৱল rank নহয়, Success মানে নিজৰ মনটোক হেৰুৱাই নিদিয়া।

"কেতিয়াবা জীৱনত অলপ থমকি নিজক সোধাটো খুব প্ৰয়োজন - মই দৌৰি আছোঁ, কিন্তু কলৈ?" চহৰলৈ ঘূৰি অহাৰ পিছত মনালিছাৰ জীৱনটো ধিৰে ধিৰে সলনি হ'ব ধৰিলে। আগতে যি সময়ত তাই ঘড়ীৰ কাঁটাৰ সৈতে দৌৰিছিল, এতিয়া সেই সময়ত তাই নিজৰ সৈতে নদৌৰে, কেৱল নিজক বুজিবলৈ চেষ্টা কৰে। মোবাইল এতিয়াও তাই ব্যৱহাৰ কৰে, কিন্তু আগৰ দৰে নহয়। Scroll কম, silence বেছি। Comparison কম, concentration বেছি।

তাই লক্ষ্য কৰিলে -সকলো ছাত্ৰ-ছাত্ৰী একে দৌৰত, কিন্তু সকলোৰে দিশ বেলেগ। কোনোবাই দৌৰে সমাজৰ ভয়ত, কোনোবাই দৌৰে মাক-দেউতাৰ সপোনত, আৰু *(বাৰপৃষ্ঠাত চাওক)*


# লিমাৰিক



**ৰশ্মি গগৈ, টেঙাখাত, ডিব্ৰুগড়**

(১)
গা গছত হেনো কপৌফুল গ্ৰহণীয়,
ৰঘুমলাক যে কোৱা হয় বৰ্জণীয়,
কোৱা কোন গ্ৰহণীয়,
আৰু কোন বৰ্জণীয়,
হিমন্ত মামা আৰু গৌৰব গগৈ ঠিয়।

(২)
ৰাজনীতি নাজানো ভালো নাপাওঁ মই,
তথাপি মন গ'লেই লিখি পাওঁ দেই,
বেয়া বুলি নাভাবিবা,
দায় দোষ নধৰিবা,
শৰীৰত আছে যে আহোমৰ তেজেই।



**ৰুক্মিণী দাস, শ্ৰীহাটী**

(১)
ফাগুন অহাৰ বাটে তুমি ও আহিলা
কিয় বাৰু মোক তুমি এবাৰো ন'কলা
উগুল থুগুল মনে
উৰা মাৰে ঘনে ঘনে
পছোঁৱাৰ ল'গতে ধূলি বোৰো আনিলা ।।

(২)
গছৰ ডালত কুলিয়ে গীত জুৰিছে
বাবুৰ দেহ মন শাত যেন পৰিছে
কৰিছে ল'ৰা ঢপৰা
বাট ওখৰা মখৰা
গধুলি শিয়ালেও কিন্তু ৰাওঁ জুৰিছে

অণুগল্প

# সুন্দৰী



**ইভা গন্ধীয়া ফুকন**

অমায়িক স্বভাৱৰ চানভিকাৰ কলেজীয়া জীৱনৰ এইবাৰ প্ৰথম সৰস্বতী পূজা। সৰস্বতী পূজা বুলি লগৰ কেইগৰাকীয়ে নতুন মেখেলা চাদৰ, শাৰী আদি কিনা দেখি তাইৰো নতুন এযোৰ কিনিবলৈ মন গৈছে যদিও দিন হাজিৰা কৰি পৰিয়ালটি পোহপাল দিয়া দেউতাকৰ কথা চিন্তা কৰি মনৰ আশা মনতে ৰাখি মাকৰ জোৰোণৰ কাপোৰ যোৰকে অলপ আধুনিক ষ্টাইলত পিন্ধি কলেজৰ সৰস্বতী পূজালৈ গ'ল।

সৰস্বতী পূজাৰ দিনা কলেজে কলেজে সুন্দৰী বিচাৰি ফুৰা নিউজ চেনেলৰ সুন্দৰী প্ৰতিযোগিতাত চানভিকা বিজয়ী হ'ল।

JANASANYOG- 4558/25/22-Feb-26



**যোৰাখণ্ডৰ পৰা...**

আধুনিক যুগত মাতৃ-সন্তান দুয়ো একেলগে মিলি পৰস্পৰে পৰস্পৰক বুজি, তথ্য প্ৰযুক্তিৰ সৎ ব্যৱহাৰ কৰি নিজৰ দায়িত্ব পালন কৰিবলৈ যত্ন কৰা উচিত। কিয়নো, বৰ্তমান সময়ত সন্তান সকলৰ বহুতেই ম'বাইল, কম্পিউটাৰ আদিৰ মাজত সময় অতিবাহিত কৰা দেখা যায়। যিয়ে সন্তানৰ বহু ক্ষতি কৰিছে। সন্তানক এই সমূহৰ পৰা আতঁৰাই ৰাখিবলৈ হ'লে মাতৃ গৰাকী কৌশলী হ'ব লাগিব। উল্লেখ্য যে, আধুনিক যুগত সন্তান পালন এক প্ৰত্যাহ্বান বুলি ক'লেও বঢ়াই কোৱা নহয়। এগৰাকী শিক্ষিতা মাতৃয়ে কিছু কৌশল অৱলম্বন কৰি কঠিন যেন লগা এই বিষয়টো সহজ কৰি তুলিব পাৰে। আধুনিক মাতৃৰ দায়িত্ব ব্যাপক, য'ত সন্তানৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক সকলো দিশ সামৰি লোৱা হয়। যি এক সুস্থ আৰু আত্মবিশ্বাসী ব্যক্তি হিচাপে সন্তানক গঢ় দিয়া ক্ষেত্ৰত সহায়ক হয়।

মাতৃ গৰাকীয়ে সন্তানক সামাজিক জীৱনৰ বাবে প্ৰয়োজনীয় আচৰণ তথা নিয়মবোৰ শিকোৱা উচিত। কিয়নো, বহু এনে ল'ৰা-ছোৱালী আছে যি সামাজিক সমাযোজন ঘটোৱাৰ ক্ষেত্ৰত ব্যৰ্থ। অৰ্থাৎ, থাকিব লগা সামাজিক জ্ঞানৰ একেবাৰেই অভাৱ। যাৰ ফলত তেওঁলোকে সমাজৰ সৈতে খাপ খাবলৈ যাওঁতে যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। সেয়ে সৰুৰে পৰা সন্তানক সমাজৰ লগত, সামাজিক কৰ্মৰ লগত জড়িত কৰিবলৈ প্ৰয়াস কৰা উচিত।

সন্তানৰ বস্তু কেন্দ্ৰিক মনোভাৱ বা আনক দেখুওৱাৰ মনোভাৱ গঢ়ি তুলিবলৈ দিয়া অনুচিত। মাতৃ গৰাকী নিজেও এনে হ'ব লাগিব। তেতিয়াহে সন্তানৰ তেনে মনোভাৱ গঢ় লৈ উঠিব বুলি আশা কৰিব পাৰি। সন্তানৰ লগত সময়ত কঠোৰ আৰু সময়ত বন্ধুৰ দৰে হ'ব লাগিব। যাতে সন্তানে নিঃসংকোচে সকলো কথা প্ৰকাশ কৰিব পাৰে।

# আজিৰ পৰিৱেশত সন্তানৰ প্ৰতি মাতৃৰ দায়িত্ব আৰু কৰ্তব্য



নিবেদিতা হাজৰিকা, লখিমপুৰ

আধুনিকতাৰ প্ৰত্যাহ্বান সমূহৰ সৈতে মোকাবিলা কৰি সন্তানক এক সুস্থ, সু নাগৰিক হিচাপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰা উচিত। মাদক দ্ৰব্য, নিচাযুক্ত দ্ৰব্যৰ ভয়াবহতা সম্পৰ্কে সজাগ কৰা আৰু ইয়াৰ পৰা আঁতৰি থাকিবলৈ সন্তানক উৎসাহিত কৰা উচিত।

আধুনিক যুগত মাতৃগৰাকীয়ে সন্তানক প্ৰযুক্তিৰ সু আৰু কু প্ৰয়োগৰ মাজত থকা পাৰ্থক্য বুজাই দিয়া, সঠিক তথ্য বাছনি কৰা আৰু সময়ৰ সৎ ব্যৱহাৰ কৰিবলৈ শিকোৱা উচিত। অন্যথা এই সমূহৰ অপ ব্যৱহাৰে সন্তানৰ ব্যাপক ক্ষতি সাধন কৰাৰ আশংকা নুই কৰিব নোৱাৰি। ইণ্টাৰনেট, যৌন ৰোগ (HIV) আদিৰ দৰে বিষয়ত সজাগ-সচেতন কৰি তোলা উচিত।

বিজ্ঞান - প্ৰযুক্তি বিদ্যাৰ ব্যাপকতাৰ বাবে সৃষ্টি হোৱা নতুন প্ৰত্যাহ্বান সমূহৰ বাবে মাতৃগৰাকীয়ে প্ৰথমে নিজকে সচেতন কৰি তুলি, অতীতৰ জ্ঞানৰ সৈতে বৰ্তমানৰ পৰিস্থিতিৰ সামঞ্জস্য ৰাখিবলৈ প্ৰয়াস কৰা উচিত। উল্লেখ্য যে, আধুনিক জগতত বস্তুবাদী চিন্তাধাৰাই শিশু সন্তানৰ বিকাশত ঘৰ বা পৰিয়ালৰ ভূমিকাৰ ক্ষেত্ৰত কিছু পৰিমানে পৰিৱৰ্তন আনিছে। বৰ্তমানৰ যুগটোৱেই হৈছে প্ৰযুক্তি বিদ্যাৰ যুগ।

আগলৈ...

# চাহ-শ্ৰমিকৰ দুৰ্দশা আৰু মুখ্যমন্ত্ৰীৰ ‘এটি কলি, দুটি পাত’ আঁচনি

দ্বীপেন বৰুৱা

**যোৰাখণ্ডৰ পৰা...**



অসমৰ চাহ-বাগিছাসমূহত কাম কৰিবলৈ বিহাৰ, ঝাৰখণ্ড, উৰিষ্যা, ছত্তীশগড়, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ আদি বিভিন্ন অঞ্চলৰ পৰা আমদানি কৰা বনুৱাসকল মূলতঃ সমাজৰ উপেক্ষিত আৰু বঞ্চিত শ্ৰেণীৰ লোক আছিল। সমাজৰ বিভিন্ন ক্ষেত্ৰত দীৰ্ঘদিন ধৰি অৱহেলিত হৈ থকা বাবে তেওঁলোকে নিজৰ জন্মস্থান এৰি আন ঠাইলৈ গুচি আহিবলৈ বিশেষ সংকোচ প্ৰকাশ কৰা নাছিল। চাহ শিল্পৰ বিকাশ আৰু লাভালাভ সুনিশ্চিত কৰাৰ লক্ষ্যৰে ব্ৰিটিছ শাসকে বহু ক্ষেত্ৰত জোৰ-জবৰদস্তি অথবা প্ৰলোভনৰ জৰিয়তে এই বনুৱাসকলক অসমলৈ লৈ আহিছিল। এই লোকসকলেই আজিৰ চাহ-শ্ৰমিক সমাজৰ মূল আধাৰস্বৰূপ। চাহ-বাগিছাত নিয়োজিত এই শ্ৰমিকসকলক সেই সময়ছোৱাত মানৱীয় অধিকাৰৰ ন্যূনতম সন্মানো প্ৰদান কৰা হোৱা নাছিল। শোষণ, অমানৱীয় পৰিশ্ৰম, স্বাস্থ্যহীন আৰু অনুপযুক্ত পৰিৱেশৰ লগতে সামাজিক বিচ্ছিন্নতাৰ মাজতেই তেওঁলোকৰ জীৱন গঢ় লৈ উঠিছিল। পৰিতাপৰ বিষয় যে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছতো চাহ- শ্ৰমিক সমাজখনে কাংক্ষিত সামাজিক আৰু অৰ্থনৈতিক উত্তৰণ লাভ কৰিবলৈ সক্ষম হোৱা নাই। চাহ-বাগিছাৰ শ্ৰমিকসকলৰ জীৱনযাত্ৰাৰ সৈতে জড়িত মৌলিক সমস্যাসমূহ আজিও সমাধান নোহোৱাকৈ থাকিবলগীয়া হোৱাটো আমাৰ গণতান্ত্ৰিক ব্যৱস্থাৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰশ্নৰূপে থিয় দিছে।

প্ৰাকৃতিক দুৰ্যোগসমূহেও অসমৰ চাহ-শ্ৰমিকসকলৰ সামাজিক-অৰ্থনৈতিক বিকাশত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। এই দুৰ্যোগসমূহৰ ভিতৰত বানপানী, তাপমাত্ৰাৰ তাৰতম্য, বৰষুণৰ পৰিমাণ হ্ৰাস পোৱা আদি বিশেষভাৱে উল্লেখযোগ্য। অসমৰ ভৌগোলিক অৱস্থিতি একাষৰীয়া হোৱাৰ ফলস্বৰূপে মূল ভূখণ্ডৰ সৈতে পৰিবহন আৰু যোগাযোগ ব্যৱস্থা পৰ্যাপ্তভাৱে উন্নত নহয়, যাৰ প্ৰভাৱ চাহ শিল্পৰ সামগ্ৰিক বিকাশত পৰিলক্ষিত হয়। মূলধনৰ অভাৱৰ বাবে বহু চাহ-বাগিছাত আজিও পুৰণি আৰু অচল কাৰিকৰী কৌশল ব্যৱহৃত হৈ আছে। নিপুণ শ্ৰমিকৰ অভাৱৰ লগতে বাগিছাসমূহত প্ৰশিক্ষণৰ সু-ব্যৱস্থা নথকাৰ ফলত উৎপাদন বৃদ্ধিত ব্যাঘাত ঘটিছে। তদুপৰি দক্ষ আৰু সুনিপুণ পৰিচালকৰ অভাৱৰ কাৰণে বহু বাগিছাৰ সঠিক পৰিচালনা কষ্টকৰ হৈ পৰিছে। এনে পৰিস্থিতিত বহুতো চাহ-বাগিছা বৰ্তমান ৰুগ্ন অৱস্থাত পতিত হৈছে আৰু কেইবাখনো বাগিছা ইতিমধ্যে বন্ধ হৈ পৰিছে। ইয়াৰ ফলস্বৰূপে বাগিছাসমূহত নিয়োজিত শ্ৰমিকসকলৰ অৰ্থনৈতিক অৱস্থা দিনক-দিনে অধিক নিম্নগামী হৈ পৰিছে। বহুতো চাহ-বাগিছা কিনা-বেচাৰ প্ৰক্ৰিয়াৰ মাজেদি গৈ আছে আৰু চৰকাৰী তত্ত্বাৱধানত লোৱা বাগিছাসমূহো বন্ধ হোৱাৰ উপক্ৰম হৈছে। এনে অৱস্থাই প্ৰতিজন চাহ-শ্ৰমিকক নিজৰ ভৱিষ্যৎ সম্পৰ্কে গভীৰভাৱে চিন্তা কৰিবলৈ বাধ্য কৰিছে। এই সংকটময় পৰিস্থিতিৰ পৰা উদ্ধাৰৰ বাবে প্ৰতিখন চাহ-বাগিছাৰ মালিক পক্ষই বাগিছাসমূহ পুনৰ জীৱনশক্তি অৰ্থাৎ অধিক উৎপাদনক্ষম কৰি তুলিবলৈ শ্ৰমিকসকলক আধুনিক প্ৰযুক্তিৰে প্ৰশিক্ষণ দি সক্ৰিয় কৰি তুলিলেহে চাহ-শ্ৰমিক সমাজৰ অৰ্থনৈতিক উন্নতি সম্ভৱ হ'ব বুলি আশা কৰিব পাৰি।

আজিও অসমৰ লক্ষাধিক চাহ-শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকল বহুতো মৌলিক সমস্যাৰ সৈতে সংগ্ৰাম কৰি আছে। চাহ-শ্ৰমিকসকলৰ দৈনিক মজুৰি আজিও অসমৰ সাধাৰণ ন্যূনতম মজুৰিৰ তুলনাত অতি কম। ২০২২ চনৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত দৈনিক মজুৰি প্ৰায় ২৩২ টকা আৰু বৰাক উপত্যকাত ২১০ টকালৈ বৃদ্ধি পালেও এই পৰিমাণ বৰ্তমান জীৱন-ধাৰণৰ ব্যয়ৰ তুলনাত অতি নগণ্য। দীৰ্ঘদিনীয়া প্ৰতিবাদ আৰু ন্যায্য দাবীক আওকাণ কৰি বাগিছাৰ কৰ্তৃপক্ষই শ্ৰমিকসকলৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত ধাৰাবাহিকভাৱে অৱহেলা কৰি আহিছে।

আগলৈ...

# অমিল মিলত দৰ্শন

যোগ দৰ্শন বহু পৰিমাণে সাংখ্য দৰ্শনৰ সৈতে একে, মাত্ৰ ঈশ্বৰৰ-অস্তিত্বকহে মানি চলিছে।

ন্যায় আৰু বৈশেষিকা দৰ্শন বহু পৰিমানে সম্পৰ্ক যুক্ত আৰু সেই কাৰণে এই দুইটা দৰ্শনক একেলগে ন্যায়-বৈশেষিকা বুলি কোৱা হয়। ‘বৈশেষিকাসূত্ৰ’ৰ প্ৰধান প্ৰবক্তা ঋষি কণাদ নিৰীশ্বৰবাদী আছিলা ‘ন্যায়-বৈশেষিক’ দৰ্শনে বেদান্ত দৰ্শনৰ তপস্যাক নসাৎ কৰি কয় যে- সত্য জানিবলৈ হ'লে আমি প্ৰমাণ আৰু তথ্য গোটাব লাগিব। দাৰ্শনিক ৰাধাকৃষ্ণণে সেয়ে ‘ন্যায-বৈশেষিকা’ দৰ্শনক ‘প্ৰমান শাস্ত্ৰ’ বুলি নামাকৰণ কৰিছে।

গতিকে প্ৰাচীন ভাৰতীয় দৰ্শন মানে এক ধৰণৰ চিন্তা নহয়, ই বিভিন্ন চিন্তাৰ সমাহাৰ, বিচিত্ৰ দৰ্শনৰ সমাহাৰ। কোনোটো দৰ্শনে বেদক মানি লৈছে কিন্তু ঈশ্বৰক মানি লোৱা নাই, কোনোটোৱে বেদ আৰু ঈশ্বৰ উভয়কে অস্বীকাৰ কৰিছে, কোনোটোৱে আকৌ ঈশ্বৰক মানি লোৱা নাই কিন্তু তন্ত্ৰ-মন্ত্ৰৰ বা ঐন্দ্ৰজালিক কথাবোৰৰ ওপৰত বিশ্বাস স্থাপন কৰিছে। গতিকে এই দৰ্শন সমূহৰ সৈতে জড়িত বিশ্বাস, চিন্তা ধাৰণা ইত্যাদি কোনোটোৱেই অলৰ-অচৰ, অমোঘ বা একমাত্ৰ নহয়। কিন্তু সমাজৰ ক্ষমতাশালী শাসক শ্ৰেণীটোৰ সহায়ক হোৱা কাৰণে কালক্ৰমত বেদান্ত দৰ্শনে কোৱা ‘মায়াবাদ’ বা ‘কৰ্মফল’ আৰু তাৰ-লগে লগে বিভিন্ন আনুসাংগিক বিশ্বাস, প্ৰথা যেনে ‘বৰ্ণবাদ’ ‘মনুৰাবিধি’ আদি প্ৰভাৱশালী হৈ উঠিল। ‘কৰ্মফল’ৰ ধাৰণাৰ প্ৰচাৰে মানুহৰ সমাজত ‘বৰ্ণবাদ ’ক প্ৰতিষ্ঠা কৰাত সহায় কৰিলে।

গতিকে দৰ্শন শাস্ত্ৰৰ মাজতে যদি ইমান অমিল তেন্তে দৰ্শন শাস্ত্ৰৰ ভকত সকলে কেনেকুৱা এখন সমাজ গঢ়িব আপুনি ভাৱক আৰু আমি কোন খন মানিম, কোন মন নামানিম- আপুনি ভাৱক নে আটাই-কেইখনকে এৰিম- আপুনি ভাৱক।

“জয় জয় মানৱ দেৱ”।

# পৰৱৰ্তী চৰকাৰৰ প্ৰথম ৩ বছৰতে

ৰাজ্যিক কৰ্মচাৰীসকলক দৰমহা আৰু পেঞ্চনৰ বাবদ ৪৮ হাজাৰ কোটি টকা ব্যয় কৰিব লাগে। এই বৃহৎ পৰিমাণৰ পুঁজি ব্যয়ৰ পাছতো আগন্তুক বিত্তীয় বৰ্ষত ৰাজ্যখনে উন্নয়ন আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত সফলতাৰে আগবাঢ়িব পাৰিব। মুখ্যমন্ত্ৰীয়ে সদনক কয়- ২০৩০ চনৰ ভিতৰত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিত পৰিণত হ'ব। এইবাৰ প্ৰকাশ হোৱা অৰ্থনীতিৰ সমীক্ষাত উল্লেখ কৰা হৈছে যে ২০২৬-২০২৭ বৰ্ষত আমাৰ বিকাশৰ হাৰ হ'ব ১৬.৯৩ শতাংশ। যাৰ ফলত অহা বৰ্ষতেই অসমে ৮ লাখ ৭১ হাজাৰ কোটি টকাৰ অৰ্থনীতিত পৰিণত হ'ম। আনহাতে ২০২৭-২৮ বিত্তীয় বৰ্ষত অসমে অৰ্থনীতিৰ ক্ষেত্ৰত যথেষ্ট সবল হ'ব আৰু ১০ লাখ কোটি টকাৰ অৰ্থনীতিৰ দিশে আগবাঢ়িম। ২০২১ বৰ্ষৰ পৰা ২০২৫ বৰ্ষলৈকে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্য মতে দেশৰ অৰ্থনীতিৰ বিকাশৰ হাৰ আছিল ২৯ শতাংশ। যোৱা ৫ বছৰত অসমৰ অৰ্থনৈতিক বিকাশৰ হাৰ হৈছে ৪৫ শতাংশ। দেশৰ ভিতৰতে এতিয়া অসম দ্ৰুত অৰ্থনৈতিক বিকাশৰ ৰাজ্য হিচাপে চিহ্নিত হৈছে। উত্তৰ-পূবৰ ভিতৰত নহয়, দেশৰ ভিতৰত অসমৰ এই দ্ৰুত অৰ্থনৈতিক বিকাশ সম্ভৱ হৈছে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয়- আমাৰ ৰাজ্যত জনমূৰি আয় ২০২০-২১ত আছিল ৮৬, ৯৪৭ কোটি টকা, ২০২৫-২৬ চনত এই জনমূৰি আয় ১, ৮৫, ৪২৯ কোটি টকাত প্ৰৱেশ কৰিছে। অহা এবছৰৰ ভিতৰত মুঠ জনমূৰি আয়ৰ ক্ষেত্ৰত অসমে পশ্চিমবংগক অতিক্ৰম কৰিবলৈ সক্ষম হ'ব। নিযুক্তিৰ প্ৰসংগত মুখ্যমন্ত্ৰী ড' শৰ্মাই কয়- ২০২১ চনত এই চৰকাৰে ৯৪৬জনক নিযুক্তি দিবলৈ সক্ষম হৈছোঁ। ২০২২ চনত ৩৩, ০৫৮জনক নিযুক্তি দিয়া হৈছে, ২০২৩ চনত ৪৪, ৯৭৮জনক নিযুক্তি দিয়া হৈছে, ২০২৪ চনত ৩৩, ৬৬৬জনক নিযুক্তি দিয়া হ'ল আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ্ত এই চৰকাৰে ৪২ হাজাৰ নিযুক্তি প্ৰদান কৰা হৈছে। এতিয়ালৈকে চৰকাৰী চাকৰিত নিযুক্তি প্ৰদানৰ সংখ্যা ১ লাখ ৫৯ হাজাৰত ভৰি দিছে। মই আশা কৰোঁ- নিৰ্বাচনৰ আগলৈকে নিশ্চিতভাৱে শিক্ষা বিভাগত আৰু ৫ হাজাৰ নিযুক্তি দিব পাৰিম। ইয়াৰ জৰিয়তে চৰকাৰী নিযুক্তিৰ সংখ্যা ১ লাখ ৬৫ হাজাৰ অতিক্ৰম কৰিব। এয়া এক ৰেকৰ্ড। মুখ্যমন্ত্ৰীয়ে কয়- এই নিযুক্তিক প্ৰত্যাহ্বান জনাই এতিয়ালৈকে ন্যায়ালয়ত এটাও গোচৰ দাখিল হোৱা নাই। এয়ে প্ৰমাণ কৰে যে স্বচ্ছতাৰ যি মূল্য, তাক চৰকাৰে আহৰণ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয়- অসমৰ ৰাইজক মই আন এক সুখবৰ দিব বিচাৰিছোঁ। এই চৰকাৰে এখন নতুনকৈ কমিটী গঠন কৰিছে। অহা ৫ বছৰত চৰকাৰখনে কিমান চৰকাৰী চাকৰি দিব পাৰিব, তাক পৰীক্ষা তথা পৰ্যবেক্ষণ কৰিব কমিটীয়ে। চৰকাৰৰ প্ৰতি থকা ৰাইজৰ আশা-আকাংক্ষাৰ চাকিগছি আমি জ্বলাই ৰাখিব বিচাৰিছোঁ, যাতে নিৰাশা নাহে। অহাবাৰ চৰকাৰ গঠনৰ লগে লগে প্ৰথম তিনি বছৰতে শিক্ষা বিভাগত ৫৫ হাজাৰ নিযুক্তি প্ৰদান কৰা হ'ব। আন বিভাগসমূহত কিদৰে নিযুক্তি দিব পৰা যায়, তাৰ পৰীক্ষা চলাই থকা হৈছে। অসমৰ যুৱ সমাজৰ আশাৰ বন্তিগছি আমি নুমাই যাবলৈ নিদিওঁ। মুখ্যমন্ত্ৰীয়ে আজি বিধানসভাত ঘোষণা কৰে যে পিতৃ-মাতৃক শুশ্ৰূষা নকৰা চৰকাৰী কৰ্মচাৰীৰ কৰ্তন হ'ব দৰমহা। ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড' শৰ্মাই কয়- পিতৃ-মাতৃক নীৰৱে সেৱা কৰাটো জীৱনৰ আন কোনো বিকল্প নাই। ৰাজ্য চৰকাৰে সেয়েহে কৰ্মচাৰীসকলক পিতৃ-মাতৃৰ সেৱাৰ বাবে ৫টাকৈ দিন ছুটী প্ৰদান কৰিছে। কিন্তু এই বন্ধৰ দিনকেইটা বহু কৰ্মচাৰীয়ে অপব্যৱহাৰ কৰি আহিছে। ইয়াৰ বিপৰীতে অৱশ্যে বহু কৰ্মচাৰীয়ে পিতৃ-মাতৃৰ লগত মূল্যৱান সময় কটোৱাৰ ফটো সামাজিক মাধ্যমত গৌৰৱেৰে আপলোড কৰে। চৰকাৰে অনা প্ৰণাম আয়োগত স্পষ্ট কৰা হৈছিল যে যদি কোনো চৰকাৰী কৰ্মচাৰীয়ে তেওঁৰ পিতৃ-মাতৃক শুশ্ৰূষা বা সেৱা নকৰে, তেন্তে তেওঁৰ দৰমহাৰ ১০-১৫শতাংশ কৰ্তন কৰি পিতৃ-মাতৃৰ একাউণ্টত জমা কৰা হ'ব। ইয়াৰ ফলত যোৱা ৫ বছৰত পিতৃ-মাতৃক অৱহেলাৰ অভিযোগ প্ৰায় নোহোৱা হৈ পৰিল। সামাজিক সমালোচনাৰ ভয়ত যিসকলে পিতৃ-মাতৃৰ পৰা দূৰত্বত অৱস্থান কৰিছিল, তেওঁলোকে আজি পিতৃ-মাতৃক প্ৰণাম কৰিবলৈ বাধ্য হৈছে। বিধানসভাৰ অন্তিম দিনটোত যুৱ বিধায়কসকললৈ পৰামৰ্শ আগবঢ়াই মুখ্যমন্ত্ৰী ড' শৰ্মাই নিজৰ ৰাজনৈতিক পৰিক্ৰমাৰ দিশ উনুকিয়াই কয়- ১৯৯৬ চনত জালুকবাৰী সমষ্টিত মই ১৭ হাজাৰ ভোটত পৰাজিত হৈছিলোঁ। পৰৱৰ্তী সময়ত সেই একেটা সমষ্টিতে প্ৰতিনিধিত্ব কৰি আজি ৰাজনীতিত ২৫টা বৰ্ষ সম্পূৰ্ণ কৰিলোঁ। এই সময়ছোৱাত সমষ্টি আৰু সমষ্টিবাসীৰ উন্নয়নত কেতিয়াও হীনডেৰি কৰা নাই। নিজকে অৰ্পণ কৰি ৰাইজৰ বাবে কাম কৰাৰ আপ্ৰাণ প্ৰয়াস কৰি আহিছোঁ। যুৱ বিধায়কসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয়- আমাক ভোট নিদিয়া মানুহবোৰ আমাৰ শত্ৰু নহয়, ভোট নিদিয়াসকলক আমি সেৱা কৰিব লাগে। এই কথা যুৱ বিধায়কসকলে অনুধাৱন কৰা উচিত।

# ৫ মে'ৰ পৰা উচ্চতম ন্যায়ালয়ত

যে, এই বিচাৰপীঠে কা বিৰোধী গোচৰসমূহ দুটা গোটত বিভাজন কৰিছে- (১) অসম-ত্ৰিপুৰা সংক্ৰান্ত বিষয় আৰু (২) দেশৰ আন অংশৰ বিষয়। লক্ষণীয়ভাৱে দীৰ্ঘদিনৰ বিৰতিৰ পিছত বৃহস্পতিবাৰে গ্ৰহণ কৰা শুনানিকালত মুখ্য ন্যায়াধীশ সূৰ্য কান্তই অসম আৰু ত্ৰিপুৰাৰ বিষয়টো পৃথককৈ শুনানি লোৱা হ'বনে নাই, তাৰ বাবে গুচৰীয়া সকলো পক্ষৰ পৰা জানিব বিচাৰে। এইক্ষেত্ৰত ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ২০২০ চনৰ জানুৱাৰী মাহত ন্যায়ালয়ে প্ৰদান কৰা নিৰ্দেশনাৰ কথা উল্লেখ কৰি জনায় যে উক্ত দুই ৰাজ্যৰ বিষয়টো সুকীয়াকৈ তালিকভুক্ত কৰিহে শুনানি গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল তথা ন্যায়ালয়ে দুগৰাকী ন'ডেল অধিবক্তাক নিয়োগ কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে প্ৰথমতে দেশৰ বাকী অংশ তথা সামগ্ৰিকভাৱে আইনখনৰ বৈধতা চালিজাৰি চোৱা হ'ব। তাৰ পিছত অসম আৰু ত্ৰিপুৰাৰ বিষয়টো বিচাৰ কৰা হ'ব। সেইমৰ্মে ৫ মে'ৰ সমগ্ৰ দিন আৰু ৬ মে'ৰ দিনৰ প্ৰথম ভাগত আবেদনকাৰীসকলে যুক্তি প্ৰদৰ্শন কৰিব। ৬ মে'ৰ দ্বিতীয় ভাগ আৰু ৭ মে'ৰ দিনা সঁহাৰি দিওঁতাসকল অৰ্থাৎ চৰকাৰী পক্ষৰ তৰফৰ পৰা যুক্তি আগবঢ়োৱা হব। প্ৰত্যুত্তৰৰ শুনানি গ্ৰহণৰ বাবে বিচাৰপীঠে ১২ মে'ৰ দিন ধাৰ্য কৰে। অৰ্থাৎ ৫, ৬, ৭ আৰু ১২ মে'ৰ চূড়ান্ত শুনানিৰ পিছতেই সামগ্ৰিকভাৱে 'কা'ৰ সাংবিধানিক বৈধতা তথা অসম আৰু ত্ৰিপুৰাত আইনখনৰ প্ৰাসংগিকতা তথা ভৱিষ্যৎ নিৰ্ধাৰণ কৰা হ'ব। উল্লেখ্য যে 'কা'ৰ জৰিয়তে চুবুৰীয়া বাংলাদেশ, আফগানিস্তান আৰু পাকিস্তানৰ সংখ্যালঘু লোক মূলতঃ হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চি আৰু খ্ৰীষ্টানসকলক ভাৰতত নাগৰিকত্ব প্ৰদানৰ দিহা কৰা হৈছে। এই আইনমৰ্মে ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈকে তিনিখন চুবুৰীয়া দেশৰ পৰা ভাৰতত প্ৰৱেশ কৰা উক্ত ধৰ্মাবলম্বী যিকোনো লোকে ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদন জনাব পাৰিব। মন কৰিবলগীয়া যে 'কা' বলবৎ হোৱাৰ পিছত আইনখনৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত প্ৰায় ২৫খন লেখ আবেদন জমা হৈছিল। ইয়াৰ পূৰ্বে ২০২৪ চনৰ এপ্ৰিল মাহত তৎকালীন মুখ্য ন্যায়াধীশ ডি বাই চন্দ্ৰচূড়ৰ বিচাৰপীঠত 'কা'ক লৈ অন্তিমটো শুনানি গ্ৰহণ কৰা হৈছিল।

# পিষ্টল দেখুৱাই

অলংকাৰ নামৰ গহণাৰ প্ৰতিষ্ঠানটোত উপস্থিত হয়। ডকাইতৰ দলটোৰ এজনে তলত থকা গেটমেনজনক সেনকো গহনালয়খন ক'ত বুলি প্ৰশ্ন কৰে। পিছত গেটমেনজনে প্ৰথম মহলাত থকা সেনকো গহনাৰ বিপণীখনলৈ লৈ যায়। ইয়াৰ পিছতে গ্ৰাহকৰ বেশত এজন এজনকৈ আন চাৰিজন ডকাইত সেনকো গহনালয়খনত প্ৰৱেশ কৰে। এজন হেলমেট পিন্ধা আৰু দুজন মাস্ক পিন্ধি অহা ডকাইতৰ দলটোৱে গহনাৰ প্ৰতিষ্ঠানৰ ভিতৰত প্ৰৱেশ কৰি হাতে হাতে পিষ্টল দেখুৱাই বিপণীখনৰ কৰ্মচাৰীসকলক চিঞৰ-বাখৰ নকৰিবলৈ ভাবুকি দিয়ে। ডকাইতৰ দলটোৱে বিপণীখনৰ ভিতৰৰ পৰা কোনেও যাতে ফোন কৰিব নোৱাৰে তাৰ বাবে বিপণীখনৰ কৰ্মচাৰীকেইজনৰ ম'বাইল, মানীবেগ কাঢ়ি নিয়াৰ লগতে তেওঁলোকক হাতত বান্ধিমজিয়াত বহুৱাই থয়। ডকাইতৰ দলটোৱে কিছু সময় পিছত গহনালয়খনত প্ৰৱেশ কৰা মেনেজাৰ ডিম্পল তালুকদাৰক প্ৰহাৰ কৰি ম'বাইল আৰু মানীবেগ কাঢ়ি নিয়ে। মেনেজাৰ আৰু কৰ্মচাৰীকেইজনে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে, ডকাইতৰ দলটোৱে হিন্দী ভাষাতে তেওঁলোকৰ লগত কথা পাতে আৰু চিঞৰ-বাখৰ নকৰিবলৈ ভাবুকি দি মুখত কাপোৰ বান্ধে। ইয়াৰ পিছতে দলটোৱে গহনা বিপণীখনত থকা ৰেডিমেড সোণ আৰু হীৰাৰ প্ৰায়বোৰ অলংকাৰ লুটি লৈ উধাও হয়। প্ৰায় আধাঘণ্টা লুটপাত চলোৱাৰ পিছত যোৱাৰ সময়ত দলটোৱে প্ৰমাণ নোহোৱা কৰিবৰ বাবে গহনা বিপণীখনত সংলগ্ন চিচি টিভিৰ হাৰ্ড ডিস্কখন ভাঙি লৈ যায়। বিপণীখনৰ কৰ্মচাৰীসকলে জানিবলৈ দিয়া মতে ডকাইতৰ দলটোৱে গহনাৰ প্ৰতিষ্ঠানটোৰ পৰা প্ৰায় ১২ কোটি টকাৰ সোণ, হীৰা, ৰূপৰ অলংকাৰ আৰু নগদ ডেৰ লাখ টকা লুটি নিয়ে।

# মোলাই কাঠনিত পুনৰ

২০২৫ চনৰ ২৮ ডিচেম্বৰৰ পৰা বৰ্তমানলৈকে তিনিবাৰকৈ অৰণ্যখনত অগ্নিসংযোগ কৰা হৈছে যদিও বন বিভাগে সুৰক্ষা দিব নোৱাৰা বিষয়টো এতিয়া সৰ্বত্ৰ চৰ্চা হৈছে। ইতিমধ্যে ঘটনা সন্দৰ্ভত তেওঁ প্ৰশাসনক অৱগত কৰিছে আৰু প্ৰশাসনৰ শীৰ্ষ বিষয়াক অৱগত কৰাত অগ্নিকাণ্ড সংঘটিত অঞ্চল পৰিদৰ্শন কৰা বুলি জানিব পৰা গৈছে। অৰণ্যখনত সঘনে অগ্নিসংযোগ কৰা দুষ্কৃতিকাৰীক কৰায়ত্ত কৰিবলৈ দাবী জনাইছে যোৰহাটৰ সচেতন মহলে। যাদৱ পায়েঙে এই সম্পৰ্কত বনমন্ত্ৰীক অভিযোগ দিয়া বুলিও জানিবলৈ দিয়ে। উল্লেখ্য যে অৰণ্য মানৱগৰাকীয়ে ইয়াৰ পূৰ্বেও বনমন্ত্ৰীক অভিযোগ দিছিল যদিও দুষ্কৃতিকাৰীক কৰায়ত্ত কৰাৰ ক্ষেত্ৰত কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাছিল বন বিভাগে। ২০২২ চনৰ পৰা যাদৱ পায়েঙৰ কন্যা মুনমুনী পায়েঙে কলকাতাৰ 'ছাছটেইনেবল গ্ৰীন ইনিচিয়েটিভ' নামৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ সৈতে বহু হেক্টৰ ভূমিত ৰোপণ কৰিছিল লক্ষাধিক মূল্যৱান গছৰ পুলি। নতুনকৈ গছপুলি ৰোপণ কৰা স্থানতে ২৮ ডিচেম্বৰৰ দুপৰীয়া আৰু ১১ ফেব্ৰুৱাৰীতো কোনো দুস্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰিছিল। কি কাৰণত বাৰে বাৰে এই অৰণ্যখন দুষ্কৃতিকাৰীৰ লক্ষ্য হৈ পৰিছে সেই সম্পৰ্কত অনুসন্ধান চলাই দোষীক চিনাক্ত কৰি শাস্তি প্ৰদানৰ দাবী জনাইছে ৰাইজে।

# দুৰ্গম অঞ্চলৰ বিদ্যালয়ত

টা পদ আৰু কাৰিকৰী শিক্ষা সঞ্চালকালৰ অধীনত মুঠ অনুমোদিত ১, ১৮৭ টা পদৰ বিপৰীতে এতিয়াও খালী হৈ আছে৩৫৩ টাকে গুৰুত্বপূৰ্ণ পদ। আনহাতে, ৰাজ্যৰ প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শাখাত খালী হৈ থকা শিক্ষকৰ পদ অনুসৰি, নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত মুঠ ১৩, ৩৮১ টা, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মুঠ ১০, ১২৭ টা শিক্ষকৰ পদ খালী হৈ আছে। একেদৰে, আদৰ্শ বিদ্যালয় সংগঠনৰ অধীনত বৰ্তমানে ৭২টা স্নাতক শিক্ষকৰ পদ আৰু ৩৩ টা প্ৰাথমিক পৰ্যায়ৰ শিক্ষকৰ পদ খালী আছে। অৱশ্যে সদনত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জনাই যে প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত খালী পদসমূহ পূৰণৰ বাবে ইতিমধ্যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ৫, ৫৫০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত হৈছিল আৰু বিগত ২০২৫ চনৰ ৯ নৱেম্বৰত নিযুক্তিৰ প্ৰক্ৰিয়া সম্পন্ন হৈছে, য'ত বৰাক উপত্যকাৰ অন্তৰ্গত ৬৩৬ খন নিম্ন প্ৰাথমিক আৰু উচ্চপ্ৰাথমিক বিদ্যালয়ত শিক্ষক নিযুক্তি কৰা হৈছে। তাৰোপৰি প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত ৪, ৫০০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত হৈছে আৰু নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে। এই নিযুক্তি প্ৰক্ৰিয়াত বৰাক উপত্যকাৰ লগতে অসমৰ বিভিন্ন বিদ্যালয়ৰ খালী পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

# গৃহমন্ত্ৰী অমিত শ্বাহৰ

পথটো লাভ কৰা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়- বৰাকবাসীয়ে দাবী কৰি অহা ইষ্ট-ৱেষ্ট কৰিড'ৰৰ কামো এমাহতে সম্পূৰ্ণ হ'ব। এই অনুষ্ঠানতে ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কাছাৰ জিলাৰ ১১খন গাঁও, শ্ৰীভূমি জিলাৰ ২১খন গাঁও, ধুবুৰীৰ ২৮খন গাঁও আৰু দক্ষিণ শালমৰা-মানকাচৰ জিলাৰ প্ৰথম গাঁৱত ভাইব্ৰেণ্ট ভিলেজেছ প্ৰগ্ৰাম ২ ৰূপায়ণ কৰা হ'ব। একেদৰে ভাৰত-ভূটান সীমান্তৱৰ্তী কোকৰাঝাৰ জিলাৰ ৬খন গাঁও, চিৰাং জিলাৰ ৫খন গাঁও, বাক্সা জিলাৰ ১২খন গাঁও, তামোলপুৰ জিলাৰ ৭খন আৰু ওদালগুৰি জিলাৰ ৪৫খন গাঁৱত এই কাৰ্যসূচী আৰম্ভ হ'ব। এই কাৰ্যসূচীৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে অসমৰ সীমান্তৱৰ্তী গাঁওসমূহত পকীপথ, চিকিৎসালয়, ভ্ৰাম্যমাণ এম্বুলেঞ্চ সেৱা, টেলিকম সেৱা, শিশুসকলৰ বাবে ভাল বিদ্যালয় নিৰ্মাণ কৰিব। অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, কৌশিক ৰায়, কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্য, কৃপানাথ মাল্লা, কনাড পুৰকায়স্থ, বিধায়ক বিজয় মালাকাৰ, কমলাক্ষ দে' পুৰকায়স্থ, মিহিৰকান্তি সোম, নিহাৰৰঞ্জন দাস, দ্বিপায়ন চক্ৰৱৰ্তী, কেন্দ্ৰীয় গৃহ সচিব ৰবীন্দ্ৰ মোহন, ভাৰতীয় চোৰাংচোৱা সংস্থাৰ সঞ্চালক তপন ডেকাকে ধৰি কেইবাজনো শীৰ্ষ বিষয়া উপস্থিত থাকে।

# কইনাধৰাত গৃহমন্ত্ৰী

উপস্থিতিত চলা এই আলোচনাত বিজেপিৰ ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত জয় পাণ্ডাও উপস্থিত থাকে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি যথেষ্ট সুখী হোৱা ভূপেন বৰাই সংবাদ মাধ্যমৰ আগত কয়- ৩২ বছৰে যি সন্মান কংগ্ৰেছত পোৱা নাছিলোঁ, বিজেপিত ৩২ ঘণ্টাতে পালোঁ। মই মুখ্যমন্ত্ৰী ড° শৰ্মাক ধন্যবাদ দিছোঁ- তেওঁ মোৰ ৰাজনৈতিক জীৱন সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰীক আগতীয়াকৈ সমস্ত বিৱৰণ কৰিছে। মই নিজৰ পৰিচয় দিয়াৰ আগতেই গৃহমন্ত্ৰী অমিত শ্বাহে মই যে অতি সাধাৰণ ঘৰৰ পৰা এই পৰ্যায় পাইছোঁ, তাক আগতীয়াকৈ অৱগত কৰিলে। গৃহমন্ত্ৰীগৰাকীয়ে অসমীয়া জাতিটোৰ সুৰক্ষাৰ বাবে কৰা চিন্তা-চৰ্চাই এটা দিশ স্পষ্ট কৰিছে যে অসমৰ ভৱিষ্যৎ আগন্তুক দিনত সুৰক্ষিত। যোৱা ৩২ ঘণ্টাত বিজেপিৰ পৰা লাভ কৰা সন্মানৰ কথা উল্লেখ কৰি ভূপেন বৰাই কয়- মুখ্যমন্ত্ৰীয়ে মোৰ ঘৰলৈ গৈ বিজেপিত যোগদানৰ বাবে আমন্ত্ৰণ দিছে, মই সাক্ষাৎ নিবিচিৰাৰ পিছতো গৃহমন্ত্ৰীৰ সৈতে মোৰ বৈঠক অনুষ্ঠিত কৰোৱাইছে, মোৰ মনৰ ভাব ব্যক্ত কৰাত সুযোগ দিছে। গতিকে মই অনুভৱ কৰিছোঁ মই শুদ্ধ সময়ত শুদ্ধ সিদ্ধান্ত লৈছোঁ। আনহাতে অহা ৮ মাৰ্চৰ পিছত প্ৰদেশ কংগ্ৰেছত খহনীয়া হ'ব বুলি মন্তব্য কৰি ভূপেন বৰাই কয়- গৌৰৱ গগৈ এতিয়া পাৰ্কিউপাইন দি আছে। তেওঁৰ ঘৰলৈ যিয়ে যায়, তেওঁকো আলিংগন কৰে। গৰাখহনীয়াৰ আগে আগে নদীত যি পাৰ্কিউপাইন দিয়া হয়, সেইধৰণে গৌৰৱ গগৈয়ে এতিয়া পাৰ্কিউ পাইন দি আছে। ৮ মাৰ্চৰ আশে-পাশে জাতীয়তাবাদী কোনো কংগ্ৰেছী নেতা প্ৰদেশ কংগ্ৰেছৰ আঁৰত নাথাকে। এইসকলে ৮ মাৰ্চৰ আশে-পাশে কংগ্ৰেছ ত্যাগ কৰিব।

# অনুপ্ৰৱেশকাৰীক সীমান্ত

কৰ্মসংস্থাপন, বিদ্যুৎ সংযোগ, শিক্ষাৰ লগতে আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব আৰোপ কৰিছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰক সমালোচনা কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়- পূৰ্বৰ চৰকাৰসমূহে বছৰ বছৰ ধৰি অসমত শাসন কৰিছিল যদিও ৰাজ্যখনৰ উন্নয়নৰ বাবে একোৱেই কৰা নাছিল। ১০ বছৰীয়া শাসন কালত কেন্দ্ৰীয় চৰকাৰে কৰা ৫০ বছৰতো পূৰ্বৰ চৰকাৰসমূহে কৰিব পৰা নাছিল। যোৱা ৫ বছৰত অসমত প্ৰতিদিনে ৪০ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছে, যিটো দেশৰ ভিতৰতে সৰ্বোচ্চ। অসমত যোৱা সময়ছোৱাত ২৪ হাজাৰ কিলোমিটাৰৰ অধিক পথ উন্নীতকৰণ কৰা হৈছে, বহু দলং নিৰ্মাণ কৰা হৈছে আৰু আমাৰ ডাবল ইঞ্জিন চৰকাৰে বিগত ১০ বছৰত ৪খন বৃহৎ নতুন দলং অসমৰ ৰাইজক উপহাৰ দিছে। ২০১৬ চনত অসমত বিজেপি ক্ষমতালৈ অহাৰ সময়ত ৰাজ্যখনৰ দৰিদ্ৰতা আছিল ৩৭ শতাংশ। যিটো ২০২৩ চনত ১৪ শতাংশলৈ হ্ৰাস পায়। ২০১৩-১৪ চনত অসমৰ জনমূৰি আয় আছিল ৪৯, ০০০ টকা, যিটো ২০২৪-২৫ চনত তিনিগুণ বৃদ্ধি পাই ১, ৫৪, ০০০ হৈছে। অসমৰ জনসাধাৰণৰ মাজত যি আস্থা ভাব জাগ্ৰত হৈছে সেয়া সুশাসন আৰু শান্তিৰ বাবে হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনত ঔদ্যোগিক ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তন আহিছে। অসমে ২৭ হাজাৰ কোটি টকাৰ এটা বৃহৎ অৰ্ধ পৰিবাহী উদ্যোগ লাভ কৰিছে। ইতিমধ্যে ৰাজ্যখনলৈ কেন্দ্ৰীয় চৰকাৰে পথ উন্নয়নৰ বাবে ৩০ হাজাৰ কোটি, ৰে'লৱেৰ বাবে ৯৫ হাজাৰ কোটি আৰু বিমানবন্দৰৰ বাবে ১০ হাজাৰ কোটি টকা আবণ্টন দিছে। সীমান্তৱৰ্তী প্ৰতিখন গাঁও দেশৰ আন গাঁৱৰ দৰে উন্নত কৰি তোলাটোৱেই কেন্দ্ৰীয় চৰকাৰৰ সংকল্প।

# কচুতলীত দশম অসম আৰক্ষী

বিৰুদ্ধে প্ৰতিবাদ কৰিছে। যিদৰে বিজেপি চৰকাৰৰ নেতৃত্বত দেশ নক্সালবাদৰ পৰা মুক্ত হৈ আহিছে, ঠিক একেদৰে অসম অনুপ্ৰৱেশকাৰীৰ পৰা মুক্ত হ'ব। বিৰোধী কংগ্ৰেছক সমালোচনা কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়- কংগ্ৰেছে অসমৰ উৰ্বৰ ভূমি সন্দেহযুক্ত লোকৰ হাতত অৰ্পণ কৰি অসমীয়া জাতিক সংকটৰ মাজলৈ ঠেলি দিয়াই নহয়, পৰিচয়ৰ প্ৰতিও আনিলে ভাবুকি। আনকি ৰাজ্যৰ সাংস্কৃতিক ঐতিহ্যকো বিপদলৈ ঠেলি দিলে কংগ্ৰেছে। কংগ্ৰেছে অসমীয়াৰ জাতি-মাটি আৰু ভেটি- এই তিনিওটাৰে ক্ষতি কৰিলে। তেওঁ কয়- কংগ্ৰেছ দলৰ শাসনকালত অনুপ্ৰৱেশকাৰীয়ে সোণাপুৰৰ কচুতলীৰ ১৭৪ বিঘা মাটি বেদখল কৰিছিল। যি ভূমিখণ্ড মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বেদখলমুক্ত কৰি আৰক্ষী বেটেলিয়ন স্থাপন কৰিলে। সন্দেহযুক্ত লোকৰ এনে বেদখলৰ বাবে গুৱাহাটীয়েই নহয়, সমগ্ৰ দেশৰ বাবে সৃষ্টি কৰিছে ভাবুকি। অচিনাকি লোকৰ উপস্থিতিয়ে অসমৰ উন্নয়নৰ বাবে প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। কংগ্ৰেছৰ শাসনকালত অনুপ্ৰৱেশকাৰীয়ে অসমৰ জনগাঁথনি সলনি কৰি বিপজ্জনক স্তৰলৈ ঠেলি দিছিল অসমীয়াক। ধুবুৰী, বৰপেটা, মৰিগাঁও, দৰং, বঙাইগাঁও আৰু নগাঁও এই জিলাসমূহত অবৈধ প্ৰব্ৰজন তথা অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসনৰ ফলত খিলঞ্জীয়া লোকৰ অস্তিত্ব নোহোৱা হৈ পৰিছে। কিন্তু ৰাজ্যবাসীক আশ্বস্ত কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অনুপ্ৰৱেশকাৰীৰ পৰা ১.৪৫ লাখ বিঘা মাটি মুক্ত কৰিবলৈ সক্ষম হৈছে। ৰাজ্যত পুনৰ বিজেপি চৰকাৰ হ'লে এই অবৈধ দখলকাৰী তথা অনুপ্ৰৱেশকাৰীসকলক চিনাক্ত কৰি দেশৰ পৰাই বিতাড়িত কৰা হ'ব। কংগ্ৰেছৰ দীঘলীয়া শাসনকালত লাচিত বৰফুকন আছিল অচিনাকি পৰিচয়। কিন্তু আজি প্ৰতিটো শিশুৱে গুজৰাটৰ পৰা কামাখ্যা আৰু কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈকে সাহসী লাচিত বৰফুকনক চিনি পায় আৰু এই কাম সম্ভৱ কৰি তুলিছে নৰেন্দ্ৰ মোদীয়ে। গৃহমন্ত্ৰীয়ে কয়- কেন্দ্ৰীয় চৰকাৰে অসমৰ সংস্কৃতিৰ প্ৰসাৰৰ বাবে কাম কৰি কেইবাজনো প্ৰসিদ্ধ লোকক পদ্ম বঁটাৰে সন্মানিত কৰিছে। আমাৰ দলৰ চৰকাৰে ড° ভূপেন হাজৰিকা আৰু গোপীনাথ বৰদলৈক ভাৰতৰত্ন সন্মানেৰে সন্মানিত কৰিছে। ৰাজ্যৰ উন্নত আইন-শৃংখলা পৰিস্থিতিৰ প্ৰসংগ উত্থাপন কৰি অমিত শ্বাহে কয়-মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি উন্নত কৰাৰ বাবে যোৱা সময়ছোৱাত কেইবাটাও পদক্ষেপ হাতত লৈছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে উত্তৰ-পূবক সদায়ে নিজৰ ভাগ্যৰ ওপৰত এৰি দিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ৰৰ বছৰত ৮০বাৰ উত্তৰ-পূব ভ্ৰমণ কৰি ৰাজ্যখনৰ উন্নয়নৰ দিশ টনকিয়াল কৰিলে। কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কেইবাটাও উন্নয়নৰ পদক্ষেপ গ্ৰহণ কৰা বুলি গৃহমন্ত্ৰী অমিত শ্বাহে কয়- ৰাজ্যখনৰ লাখ লাখ মহিলাক আত্মসহায়ক গোটৰ সৈতে সংযুক্ত কৰা হৈছে, ২.৫ লাখ গৃহহীন খিলঞ্জীয়াক ভূমিৰ অধিকাৰ প্ৰদান কৰা হৈছে, চাহ বাগিচাৰ শ্ৰমিকৰ বাবে বিশেষ আঁচনি প্ৰৱৰ্তন কৰা হৈছে। যোৱা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ঘাইপথত বায়ুসেনাৰ বিমানেৰে অৱতৰণ কৰি অসমৰ যোগাযোগৰ ক্ষেত্ৰত হোৱা ব্যাপক উন্নয়নক তুলি ধৰিলে। গৃহমন্ত্ৰীগৰাকীয়ে কয়- অসমৰ ভূমি অনুপ্ৰৱেশকাৰীৰ পৰা মুক্ত নোহোৱালৈকে ৰাষ্ট্ৰ সুৰক্ষিত হৈ থাকিব নোৱাৰে আৰু ৰাজ্যখনৰ সংস্কৃতি, ভাষা, সাহিত্যও সুৰক্ষিত হৈ থাকিব নোৱাৰে। সেয়েহে অনুপ্ৰৱেশকাৰীমুক্ত অসম গঢ়াই বিজেপিৰ মূল লক্ষ্য। তেওঁ কয়- বিদ্ৰোহ, দৰিদ্ৰতা, বানপানীমুক্ত, নিবনুৱা সমস্যাৰ পৰা মুক্ত অসম গঢ়ি তুলিবলৈ একমাত্ৰ বিজেপি চৰকাৰহে সক্ষম। এই আধাৰশিলা স্থাপন অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় গৃহ সচিবকে ধৰি কেইবাজনো শীৰ্ষ বিষয়া উপস্থিত থাকে।

# অহা ৭ দিনৰ ভিতৰত ঘোষণা কৰা

কাম-কাজ এৰি শ্লোগান দিবলৈ শিকিলোঁ আৰু আনসকলে কাম কৰিবলৈ ল'লে। কিন্তু শ্লোগানে এটা জাতিক বচাব নোৱাৰে। মই মনৰ পৰা কাকো বেয়া নাপাওঁ। কিন্তু যেতিয়া কোনোবাই সংবাদ মেলত আমি কাম নকৰিলে অসমীয়া নাখাই মৰিব বুলি কয়, তেতিয়া অসমীয়া জাতিৰ ওপৰত দিয়া এই বদনাম মোৰ সহ্য নহয়। ধিঙত হোৱা এটা ধৰ্ষণৰ ঘটনাৰ প্ৰতিবাদ শিৱসাগৰত হওঁতে নগাঁৱত ঘোষণা কৰিলে- শিৱসাগৰলৈ মাছ নপঠিয়াও বুলি। বাংলাদেশৰ পৰা অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ বাবে আহি থিতাপি লোৱা মিঞা মুছলমানে এতিয়া কাম নকৰিলে অসমীয়াই নাখাই মৰিব বুলি ক'ব পৰা হ'ল। অসম আন্দোলনৰ সময়তে অসমৰ যুৱক-যুৱতীক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলাৰ এক আন্দোলন গঢ় লৈ উঠিব লাগিছিল। অসমীয়া যুৱক- যুৱতীয়ে সেই সময়ত ৰাজপথত নামি আন্দোলন কৰিলে আৰু এটা বিশেষ সম্প্ৰদায়ে খেতি আৰু ব্যৱসায়ত নামি পৰিল। অসমীয়া যুৱক-যুৱতীয়ে ব্যৱসায় আৰু অৰ্থনীতি নিজৰ হাতলৈ আনিব লাগিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিজেপি চৰকাৰে অসমত সফল ব্যৱসায় আৰু সফল উদ্যোগী নিৰ্মাণ কৰিব। অসমীয়া যুৱক-যুৱতীয়ে কৰ্মসংস্কৃতি শিকিবই লাগিব। মিঞা মুছলমানে সংবাদ মেল পাতি হুংকাৰ দিলে অসমীয়া হিচাপে মই লাজ পাওঁ। মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰু কয় যে মোৰ অনুমোদন নহ'লে এতিয়া কোনো হিন্দুৱে মুছলমানক মাটি বেচিব নোৱাৰে আৰু মুছলমানৰ পৰা মাটি কিনিবও নোৱাৰে। কিন্তু মই দেখিছোঁ হিন্দুৰ পৰা মাটি কিনিবলৈ বিচৰা ৯০জনেই মুছলমান। ইয়াৰ কাৰণ আমাৰ হাতত টকা নাই। অসমীয়া মানুহে মাটি বিক্ৰী কৰি শেষ কৰিলে। আমাৰ মানুহে এতিয়া মাটি দখল কৰিলেই জিলা আয়ুক্তই জাননীৰ উপৰি জাননী দিয়ে। কিন্তু মিঞা মুছলমানে ৰাজ্যৰ ৪০ বিঘা মাটি বেদখল কৰিছে। এইবাৰ ডেৰ লাখ বিঘা মাটি বেদখলমুক্ত কৰিলোঁ। অহাবাৰ ৫ লাখ বিঘা মাটি বেদখলমুক্ত কৰিম। এতিয়া উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ আধাৰত মুকলিকৈ উচ্ছেদ কৰিম আৰু খিলঞ্জীয়া আৰু জনজাতীয় লোকৰ দখলত থকা ভূমিপট্টা প্ৰদান কৰা হ'ব। আনহাতে লাচিত বৰফুকনৰ সৈতে মোগলৰ বিৰুদ্ধে যুদ্ধ কৰা কোনো বাঘ হাজৰিকাৰ নাম বুৰঞ্জীত উল্লেখ নাই বুলি দোহাৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বাঘ হাজৰিকা এটা কাল্পনিক চৰিত্ৰ। সাঁচিপাতৰ পাত লুটিয়াই তেনে কোনো নাম বিচাৰি পোৱা নাই। গুৱাহাটীত মুকলি কৰিবলগীয়া শৰাইঘাটৰ ৰণৰ স্মৃতিত নাথাকিব বাঘ হাজৰিকাৰ নাম। বাঘ হাজৰিকাৰ নাম সাঁচিপাতত লিখা নাই। আমাৰ বুৰঞ্জীও সলনি কৰা হৈছে। যিসকলৰ নাম সাঁচিপাতৰ বুৰঞ্জীত উল্লেখ আছে, তেওঁলোকৰ নাম আমাক পঢ়োৱাই নহ'ল। লাচিত বৰফুকনৰ উপ-সেনাপতি হিচাপে যে এজন মিচিং জনগোষ্ঠীৰ বীৰে যুঁজ কৰিছিল, তেওঁৰ নাম আমাক নকৈ কোৱা হ'ল বাঘ হাজৰিকাৰ নাম। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি তেজপুৰৰ ঐতিহাসিক গড়দৌলৰ সমীপত আয়োজিত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম-২.০ৰ অধীনত শোণিতপুৰ, দৰং আৰু বিশ্বনাথ চাৰিআলি জিলাৰ মুঠ ৬, ৫৬১ গৰাকী উদ্যমী যুৱক-যুৱতীক প্ৰথম কিস্তিৰ ৭৫ হাজাৰ টকাৰ চেক আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিতৰণ কৰে। এই অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল, সাংসদ ৰঞ্জিত দত্ত, বিধায়ক পৃথ্বিৰাজ ৰাভা, গণেশ লিম্বু, কৃষ্ণকমল তাঁতী, দিগন্ত ঘাটোৱাল, উৎপল বৰা, প্ৰমোদ বৰঠাকুৰ আদি উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Governor attends statehood day celebrations of Arunachal Pradesh and Mizoram




Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the Statehood Day celebrations of Arunachal Pradesh and Mizoram at a function held at the GMCH Auditorium. Extending his greetings on the occasion, the Governor said that 20 February 1987 is inscribed in golden letters in India's federal history, marking the day when both Arunachal Pradesh and Mizoram attained full statehood and embarked on a new journey of democratic empowerment, development, and self-respect. Highlighting the unique identity of Arunachal Pradesh, the Governor described it as the "Land of the Rising Sun," symbolizing hope, energy, and new beginnings. He noted that the state's snow-clad mountains, vibrant tribal heritage, and rich cultural diversity stand as a living example of India's unity in diversity. He also underscored its strategic importance and lauded the courage and patriotism of its people. Speaking about Mizoram, known as the "Land of Hills," the Governor appreciated its harmonious society, rich literary, musical and dance traditions, and remarkable balance between tradition and modernity. He commended the state's achievements in education, sports, and environmental conservation, stating that the youth of Mizoram have brought pride to the nation at various national and international platforms.

## India beat Australia by 17 runs



RB News: India defeated Australia by 17 runs in the deciding third and final Women's T201 to seal the three-match series 2-1 here on Saturday. Opting to bat, India rode on a half centuries from vice-captain Smriti Mandhana (82) and charismatic batter Jemimah Rodrigues (59) to score a huge 176 for 6. Mandhana and Rodrigues stitched together a 121-run stand to guide India to an imposing total. In reply, Ashleigh Gardner (57) scored a fifty before Australia were restricted to 159-9 in their 20 overs. For India, Shree Charani (3/32), Shreyanka Patil (3/22) and Arundhati Reddy (2/35) were among wickets.

## India Women's Rising Stars Asia Cup final



RB News: India A defeated Sri Lanka A in the semi-final of Women's Asia Cup Rising Stars by five wickets in the match played in Bangkok on Friday. Captain Radha Yadav picked four wickets and smashed 31*(18) in the game. Sri Lanka posted a target of 119 runs in 20 overs which India achieved in 13.3 overs.

## Jammu and Kashmir create history




RB News: Jammu and Kashmir created history by reaching the Ranji Trophy finals for the first time in their 67-year history, defeating two-time former champions Bengal by six wickets on day four of the semifinal at the Bengal Cricket Academy Ground in Kalyani on Wednesday. Auqib Nabi was the star for J&K in the semifinal as he picked up nine wickets in the match, including a five-wicket haul in the first innings and also won the player of the match award. Abdul Samad also played a crucial role with a score of 82 in the first innings and an unbeaten cameo in the second innings in run-chase.

## Australia defeated Oman by nine wickets



RB News: Australia defeated Oman by nine wickets in their final group match of the T20 World Cup 2026, chasing down Oman's 104-run target in 9.4 overs. Australia captain Mitchell Marsh played an unbeaten knock of 64 runs off 33 balls.Earlier, Australia's bowlers underlined their experience with a disciplined display, strangling Oman's batting line-up and dismissing them for a modest 104. Pace Xavier Bartlett (2/27) and spinner Adam Zampa (4/21) showed their class after captain Mitchell Marsh won the toss and opted to field.

## Afghanistan beat Canada by 82 runs



RB News: Afghanistan defeated Canada by 82 runs at the MA Chidambaram Stadium in Chennai on Thursday, ending their T20 World Cup 2026 campaign with a win. Afghanistan posted 200-4 in their 20 overs, with Ibrahim Zadran scoring 95*(56). In reply, Canada were restricted to 118-8, with Mohammad Nabi picking up four wickets. Afghanistan finished third in their group with four points.

## Zimbabwe defeated Sri Lanka by six wickets



RB News: Zimbabwe defeated Sri Lanka by six wickets in their T20 World Cup 2026 match at the R Premadasa Stadium in Colombo on Thursday. Opting to bat, Pathum Nissanka carted eight fours en route to a 41-ball 62 and Pavan Rathnayake blasted a 25-ball 44 in the back end as SL posted 178 for 7. In reply, Brian Bennett (63) hit a fifty and skipper Sikandar Raza (45) produced the needed acceleration as Zimbabwe chased down the total, scoring 182-4 in 19.3 overs to top the group. Earlier, Graeme Cremer (2/27), Blessing Muzarabani (2/38) and Brad Evans (2/35) claimed two wickets each for Zimbabwe. Both the teams have qualified for the Super 8s.

# অনুভূতি

কোনোবাই - নিজৰ চিনাকি হেৰাই।

এইবাৰ result ত তাই Top 2 ত আহিলে। আগতে হলে তাই কান্দি থাকিলেহেঁতেন। কিন্তু এইবাৰ তাই এইবোৰৰ বন্ধ কৰি মাথোঁ ক'লে - "এইটো মোৰ শেষ নহয়, এইটো মোৰ feed-back।"

সেই নিশা ডায়েৰীত তাই প্ৰথমবাৰৰ বাবে লিখিলে -"মই perfect নহয়, কিন্তু মই progressing।" এইটো লাইন তাইৰ জীৱনৰ মন্ত্ৰ হৈ পৰিল। আগতে তাই ভাবিছিল break মানে পিছপৰা। এতিয়া তাই বুজে - break মানে rebuild।

প্ৰকৃতিত যি শান্তি পাইছিল, সেই শান্তি তাই এতিয়া নিজৰ ভিতৰতে বিচাৰি পায়। শব্দ বাহিৰত আছে, কিন্তু মনৰ ভিতৰত এতিয়া clarity। মনালিছা এতিয়া top হোৱাৰ চিন্তা নকৰে, কিন্তু lost হ'বলৈও নিদিয়ে নিজকে।

"এইবাৰ তাই দৌৰে, কিন্তু ভয়ৰ পৰা নহয় -

এইবাৰ তাই দৌৰে, নিজৰ দিশত।"

# বিবাহ ঃ জীৱনৰ অনুপম উৎসৱ

বিয়াৰ অন্যান্য দৰকাৰী সামগ্ৰী, শ্ৰাদ্ধৰ খৰচ, ব্ৰাহ্মনৰ দান-দক্ষিনা, উপকৰণৰ বাবে ফল মূল, কুঁহিয়াৰ, ঘিউ, ফুল তুলসী, মান্যানুসাৰে দৰা ঘৰ আৰু কইনা ঘৰৰ মানুহক মান ধৰা কাপোৰৰ বাদেও ৰান্ধনী-বিলনি, বেণ্ড পাৰ্টি, ডিজে চেট আৰু কেমেৰাৰ বাবদ দিবলগীয়া খৰচ ভিতৰ কৰি মুঠতে এক বৃহৎ অংকৰ বাজেট। দৰা ঘৰ আৰু কইনা ঘৰ ধনবান আৰু উৎসাহী হলে বিয়াৰ বাজেট আৰু অধিক বৃদ্ধি পায়।

দায়িত্ববান পিতৃ মাতৃয়ে নিজৰ পুত্ৰ-কন্যাক উপযুক্ত পাত্ৰ-পাত্ৰী চাই সঠিক সময়ত বিয়া পাতি দি সংসাৰ ধৰ্ম পালন কৰি পৰম সুখ আৰু আনন্দ লাভ কৰে।

বিবাহ এক সামাজিক পৰম্পৰা। ধনী দুখীয়া সকলোৰে সামৰ্থ আৰু সাধ্যানুসাৰে বিবাহৰ আয়োজন কৰে। সামাজিক শৃংখলা আৰু সুন্দৰ পৰিশীলিত সমাজ গঠনত বিবাহৰ প্ৰয়োজন অনিস্বীকাৰ্য্য। ডেকা গাভৰুৱে সুন্দৰ বৈবাহিক জীৱন আৰম্ভ কৰা, ভৱিষ্যতে যুগ্ম জীৱনৰ পাতনি মেলিবলৈ ওলোৱা বিবাহ হ'ল পৱিত্ৰ সামাজিক স্বীকৃতি।

বিশ্বৰ সকলো দেশতে জাতি ধৰ্ম সম্প্ৰদায়ৰ মাজত নিজস্ব ৰীতি নীতি অনুসৰি অতীজৰে পৰা বিবাহৰ প্ৰচলন আছে। বিবাহ প্ৰথা সামাজিক বান্ধোন হিচাবে সকলো জাতি জনগোষ্ঠীৰ মাজত আজিও স্বীকৃত। সেয়েহে বিবাহৰ গুৰুত্ব আৰু মৰ্য্যদা সমাজত এতিয়াও অটুত আছে।




ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

অৱলোকন

# প্ৰৱণতা (Tendency)



কনক শৰ্মা, হাজো,দমদমা

প্ৰৱণতা এক মানসিক অৱস্থা। শব্দটোৰ সমাৰ্থক শব্দ হৈছে প্ৰবৃত্তি। সংস্কৃত প্ৰ+বৃত, থকা+ক্তি। সৃষ্টি আৰু ধ্বংস দুয়োটাৰ ক্ষেত্ৰতে “প্ৰৱণতা”ই এক ইন্ধন হিচাপে কাম কৰে।

কল্পনা প্ৰৱণতাই কবি, সাহিত্যিক, চিন্তাবিদ, বৈজ্ঞানিক সকলোকে মানসিক ভাবে প্ৰস্তুত কৰি তোলে, - সৃষ্টিশীল কৰ্ম-সংস্কৃতিৰে ‘মানুহ’ৰ সমাজখনক উত্তৰণৰ গতিশীল পথত প্ৰবাহিত কৰাবলৈ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্তি-প্ৰৱণতাই কেনেকৈ মধ্যযুগীয়া অসুচল যাতায়তী ব্যৱস্থা আৰু বিপদসংকুল প্ৰতিকুল পৰিৱেশকো নেওচি অতি দুৰ দুৰণিলৈ ধৰ্মজ্ঞান আহৰণৰ নিমিত্তে ভ্ৰমণ কৰিবলৈ গৈছিল, ধৰ্ম প্ৰচাৰৰ সময়ত মহাপুৰুষজনাই কিমান জীয়াতু ভুগিছিল সেয়া ইতিহাসে ফহিয়াই কয়।

কল্পনা-প্ৰৱণতাই কেনেকৈ বিহগী কবি ৰঘুনাথ চৌধাৰীৰ দৰে আন বহুতো কবি সাহিত্যিকে সৃষ্টিশীল কলমেৰে গদ্য-পদ্যৰ জীৱন সঞ্চাৰী নিজৰা বোৱাই দিছিল সেই কথা সাহিত্যৰ বুৰঞ্জীত জল জল পট পট হৈ আছে। সাংস্কৃতিক জগতৰ মহীৰুহ সকলৰ সৃজনীমূলক প্ৰৱণতাই কেনেদৰে জাতীয় সংস্কৃতিৰ বীথিকাই কেনেদৰে জাতি একোটাক ঐশ্বৰ্য্যশালী কৰে তাৰ উদাহৰণ অসমীয়া বৰ্ণিল সংস্কৃতিৰ মাজতে পোৱা যায়। সেইদৰে চাৰ আইজাক নিউটনৰ দৰে আন বহু বিজ্ঞানীৰ নিত্য নতুন উদ্ভাৱনীমন্ত্ৰণাক সজীৱ আৰু শক্তিশালী কৰিছিল সৃষ্টিশীল ভাৱ-প্ৰৱণতাই।

সমাজ সেৱাৰ প্ৰৱণতাৰে ফ্লোৰেন্স নাইটিংগেল, মাডাৰ টেৰেজা, মহাত্মা গান্ধী আদিৰ লেখীয়া মহৎলোকে একোখন প্ৰকৃতাৰ্থত ‘মানুহ’ৰ সমাজ গঢ়ি তুলিছে।

প্ৰৱণতাই ক্ৰিয়া কৰা এনে প্ৰাণোচ্ছল উদ্যমীতাৰ বিপৰীতে অপৰাধ প্ৰৱণতায়ো মানৱ জাতি তথা সভ্যতা-সংস্কৃতিৰ প্ৰচুৰ পৰিমাণে ক্ষতি কৰাৰ উদাহৰণ দিনে দিনে বৃদ্ধি পাই গৈ আছে।

পৃথিৱীৰ ভিন্ন প্ৰান্তত ভিন্ন দেশৰ মাজত ভৌগোলিক ক্ষেত্ৰৰ বাবে হওক বা আৰ্থ-সামাজিক কাৰণতেই হওক বা আন যি কাৰণতেই নহওক কিয় যুযুৎসু-প্ৰৱণতা কোনো কাৰণতে মানৱীয় প্ৰমূল্যবোধৰ পৰিচায়ক নহয়।


যুদ্ধজৰ্জৰ পৰিৱেশ পৰিস্থিতিৰ পৰা শান্তিপূৰ্ণ পৰিৱেশ পৰিস্থিতি নিৰ্মাণ কৰিব পৰাজন আমাৰ বাবে সদায়েই আদৰ্শনীয়, মহান আৰু অমৃত সন্তান স্বৰূপ। তেনে মহান ব্যক্তি বিশেষৰ বাবেহে “শান্তিৰ ন’বেল বঁটা” প্ৰচলিত হয়, -- যুদ্ধক উৎসাহিত কৰা সকলৰ বাবে নহয়।

অপৰাধ-প্ৰৱণতা এক মানসিক বিকাৰ বা বিকৃতি বুলি মনোবিজ্ঞানী সকলে অভিহিত কৰিছে। যিকোনো ভুলকে বাৰে বাৰে কৰি থাকিলে এদিন সাধাৰণ ভুলৰ অঙ্কুৰণে সময়ত অপৰাধ-প্ৰৱণতাৰ লেখীয়া প্ৰকাণ্ড বিষ-বৃক্ষৰ সৃষ্টি কৰে।

‘অনুশোচনা’ (repentance)ই অপৰাধ প্ৰৱণতাক বিমোচন কৰে। মহাদস্যু ৰত্নাকৰৰ অপৰাধ প্ৰৱণতাই বহু জীৱন, বহু সম্পদ ধ্বংস কৰিছিল। ছদ্মবেশী ব্ৰহ্মা আৰু নাৰদৰ উপদেশত অনুশোচনাত দগ্ধ হৈ তেওঁ জুয়ে পোৰা সোণ হৈ জগত উজলাইছিল। সত্য, শিৱ, সুন্দৰৰ সাধনাত তেঁৱেই হৈ পৰিছিল মহাতপা মহৰ্ষি বাল্মীকি।

জীৱন আৰু জগত জিজ্ঞাসাৰ সাধনাত মানুহে এনেদৰে সৃষ্টিশীল প্ৰৱণতাৰ প্ৰতিহে সম্মোহিত হোৱাটো মানৱ সভ্যতাৰ প্ৰতি কল্যাণকৰ মন্ত্ৰণা হ’ব, -- হিংসা-দ্বেষ-অসূয়া-অশান্তিকৰ প্ৰৱণতাৰে নহয়।

# যোগ্য -ভোগ্য বসুন্ধৰা



যমুনা দুলু বৈশ্য, শুৱালকুছি

সেউজী ধৰণী অতিকৈ মোহনীয়া
আকাশ নীলা হয়,
প্ৰকৃতি বুকুতে পাহাৰ, ভৈয়াম
নদীৰ মাজত নাওঁ বয় ।।
প্ৰকৃতিয়ে দিয়ে সকলোকে বতাহ
বিনন্দীয়া এই ধৰা ,
শইচ-শ্যামলা খেতি পথাৰ ভৰা
যোগ্য -ভোগ্য বসুন্ধৰা ।।
এই পৃথিৱীত উৰে মুক্ত ভাৱে
কি যে সুমধুৰ মাত,
গাত লাগিলে নিৰ্মল বতাহ
দেহ মন পৰে শাঁত ।।
বায়ু-মাটি-পানী নহলে নহয়
সকলো প্ৰকৃতি দান,
গছ-গছনি কাটি দুষ্ট লোকে
হিংসাৰে প্ৰতিদান । ।
গছ-বন কাটি তহিলং কৰি
নিজৰে বিপদ মাতি,
প্ৰকৃতি ধ্বংস হ’লে হ’ব জানা
জীৱকুলৰ বিপত্তি।
উশাহে-নিশাহে প্ৰকৃতিৰ সম্পৰ্ক
আমিও প্ৰকৃতিৰ দাস,
নিজৰ দেশক ভালপাব লাগিব
কৰিছো একেলগে বাস ।।

# উতলা ফাগুন




নমিতা দাস

ফাগুন, ----
উৰুৱাই নিয়া,
পচোৱা জাকৰ সৈতে
প্ৰতিটো আৱৰ্জনা, মলিনতা
ফাগুন, ----
পলাশ, শিমলু মদাৰ জোপাৰ
ৰঙা হালধীয়া বোলেৰে
কলুষিত মনৰ কদৰ্য্য ৰূপবোৰো উৰুৱাই নিয়া ।
লঠঙা ডালৰ
বতৰা লৈ আহি
বিলাই দি যোৱা তোমাৰে তল সৰা শুকান পাতৰ বেঠা
ফাগুন ------
ধূলিৰ ধূসৰিত পাতৰ আঁৰত আছে
ৰঙৰ আগমন
প্ৰেমৰ সুবাস
ফাগুন ----
চঞ্চলা বতাহ জাকে উৰুৱাই নিয়া কৃষ্ণচূড়াৰ ৰঙা পাপৰিত
উৎবাউল হৈ পৰা
প্ৰেমৰ ৰাগিত
মটলীয়া হৈ
ধৰা লৈ যে নমাই
বৰষুণৰ কণিকা
সেয়া বাৰু
ধৰণী সজীৱ কৰাৰ সংগ্ৰাম
নে পোখা মেলা,
মনৰ হেঁপাহ বাৰু
নে তৃষ্ণাতুৰ শৰীৰক
সজীৱ কৰাৰ বাবে কৰা সংগ্ৰাম
এয়াই ফাগুন ----
উতলা ফাগুন -----।

অনুগল্প

# যান্ত্ৰণা



পৰিস্মিতা বৰা হাজৰিকা
নিকিনিখোৱা, মাজুলী

মানুহজনক দেখিয়েই তাইৰ বুকুখন চিৰিংকৈ গ’ল । মুখত ভালদৰে মাস্ক খন লগাই চানগ্লাছ যোৰ পিন্ধি ললে তাই । “মোৰ বংশ ৰক্ষাৰ বাবে লৰা এটা জন্ম দিব নোৱাৰিলি কুলক্ষনী, এতিয়া এইজনীক মই পোহ পাল দি ডাঙৰ কৰিব নোৱাৰোঁ” -- বুলি মাকক সদাই ককৰ্থনা কৰা তাইৰ কনমানি অন্তৰ খনত এতিয়াও সজীৱ হৈ আছে সেই দিনবোৰ ।মাকে অত্যাচাৰ সহ্য কৰিব নোৱাৰি তাইক লৈ ওলাই আহিছিল ঘৰৰ পৰা । কথাবোৰে আজিও তাইক বৰকৈ বিন্ধিলে। আধাতে বৃদ্ধাশ্ৰমৰ সভাখনৰ পৰা গুচি আহি তাই কোনেও নেদেখাকৈ।